ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# অভিভাৱক আৰু প্ৰতিপাল্য অধিনিয়ম, ১৮৯০

(১৮৯০ ৰ ৮ নং অধিনিয়ম)

[১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Guardians And Wards Act, 1890

(Act No. 8 of 1890)

[As on the 1st April, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান অভিভাৱক আৰু প্ৰতিপাল্য অধিনিয়ম, ১৮৯০ (১৮৯০ৰ ৮ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ৰ পৃষ্ঠা৪৮ৰ পৰা ৬৯ত প্ৰকাশিত হৈছিল ।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হব ।

# PREFACE

This edition of the Guardians and Wards Act. 1890 (8 of 1890) as on the 1st April, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No.1 Vol. 1 dated 7th September, 1990 on Pages 48 to 69.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi
Date 24-11-90

V. S. RAMA DEVI,
Secretary to the Govt. of India.

## সংশোধনী অধিনিয়মবোৰ আৰু বিধি অনুকূলন আদেশবোৰৰ তালিকা।

১। চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ (১৯০৮ চনৰ ৫ নং অধিনিয়ম)।

২। অভিভাৱক আৰু প্ৰতিপাল্য (সংশোধন) অধিনিয়ম, ১৯২৬ (১৯২৬ চনৰ ৪নং অধিনিয়ম)।

৩। অভিভাৱক আৰু প্ৰতিপাল্য (সংশোধন) অধিনিয়ম, ১৯২৯ (১৯২৯ চনৰ ১৭ নং অধিনিয়ম)।

৪। ভাৰত চৰকাৰ (ভাৰতীয় বিধি অনুকূলন) আদেশ, ১৯৩৭।

৫। নিৰসন অধিনিয়ম, ১৯৩৮ (১৯৩৮ চনৰ ১ নং অধিনিয়ম)।

৬। ভাৰতীয় স্বাধীনতা (কেন্দ্ৰীয় অধিনিয়ম আৰু অধ্যাদেশ অনুকূলন) আদেশ, ১৯৪৮।

৭। নিৰসন আৰু সংশোধনী অধিনিয়ম, ১৯৪৯ (১৯৪৯ চনৰ ৪০ নং অধিনিয়ম)।

৮। বিধি অনুকূলন আদেশ, ১৯৫০।

৯। ভাগ 'খ' ৰাজ্যসমূহ (বিধি) অধিনিয়ম, ১৯৫১ (১৯৫১ চনৰ ৩ নং অধিনিয়ম)।

১০। পণ্ডিচেৰী (বিধি বিস্তাৰণ) অধিনিয়ম, ১৯৬৮ (১৯৬৮ চনৰ ২৬ নং অধিনিয়ম)।

## অভিভাৱক আৰু প্ৰতিপাল্য অধিনিয়ম, ১৮৯০

### ধাৰাসমূহৰ ক্ৰম

### প্ৰথম অধ্যায়

#### প্ৰাৰম্ভিক

ধাৰাসমূহ


১। নাম, বিস্তাৰ আৰু প্ৰাৰম্ভ।

২। [নিৰসিত]

৩। প্ৰতিপাল্য অধিকৰণবোৰৰ আৰু চনদ প্ৰাপ্ত উচ্চ ন্যায়ালয়বোৰৰ ক্ষেত্ৰাধিকাৰৰ ব্যাবৃত্তি।

৪। পৰিভাষা।

৪ক। অধীনস্থ ন্যায়িক পদাধিকাৰী সকলক ক্ষেত্ৰাধিকাৰ প্ৰদান আৰু তেনে পদাধিকাৰীসকলে কাৰ্যবাহীবোৰ হস্তান্তৰ কৰাৰ ক্ষমতা।


### দ্বিতীয় অধ্যায়

#### অভিভাৱকৰ নিযুক্তি আৰু ঘোষণা


৫। [নিৰসিত]

৬। আন আন ক্ষেত্ৰত নিযুক্তি দিয়া ক্ষমতাৰ ব্যাবৃত্তি।

৭। অভিভাৱকত্ব সম্বন্ধে ন্যায়ালয়ৰ আদেশ দিয়াৰ ক্ষমতা।

৮। আদেশৰ বাবে আবেদন কৰিবলৈ হকদাৰ ব্যক্তিসকল।

৯। আবেদনপত্ৰ গ্ৰহণ কৰিবলৈ ক্ষেত্ৰাধিকাৰ থকা ন্যায়ালয়।

১০। আবেদনপত্ৰৰ প্ৰপত্ৰ।

১১। আবেদনপত্ৰ গ্ৰহণকৰণত অৱলম্বনীয় প্ৰক্ৰিয়া।

১২। নাবালকক হাজিৰ কৰাই দিবৰ বাবে অন্তৰ্বৰ্তী আদেশ দিবৰ আৰু নাবালকৰ শৰীৰ আৰু সম্পত্তিৰ অন্তঃকালীন ৰক্ষণাবেক্ষণৰ আদেশ দিয়াৰ ক্ষমতা।

১৩। আদেশ দিয়াৰ পূৰ্বে সাক্ষ্যৰ শুনানি।

১৪। ভিন ভিন ন্যায়ালয়ত একে সময়তে উপস্থাপিত কাৰ্যবাহীবোৰ।

১৫। কেইবাজনো অভিভাৱকৰ নিযুক্তি বা ঘোষণা।

১৬। ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ বাহিৰত থকা সম্পত্তিৰ বাবে অভিভাৱক নিযুক্তি বা ঘোষণা।

১৭। অভিভাৱক নিযুক্তি কৰোতে ন্যায়ালয়ে বিবেচনা কৰিবলগীয়া বিষয়বোৰ।

১৮। সমাহৰ্তাজনক পদৰ আধাৰত অভিভাৱক নিযুক্তি বা ঘোষণা।

১৯। কোনো কোনো ক্ষেত্ৰত ন্যায়ালয়ৰ দ্বাৰা অভিভাৱক নিযুক্তি কৰিব লগা নহয়।

## তৃতীয় অধ্যায়

### অভিভাৱকৰ কৰ্তব্য, অধিকাৰ আৰু দায়িত্ব

### সাধাৰণ

২০। অভিভাৱকৰ প্ৰতিপাল্যজনৰ সৈতে বিশ্বাসিক সম্বন্ধ।

২১। অভিভাৱক ৰূপে কাৰ্য কৰিবলৈ নাবালকৰ সামৰ্থ্য।

২২। অভিভাৱকৰ পাৰিশ্ৰমিক।

২৩। অভিভাৱক স্বৰূপে থকা সমাহৰ্তাজনৰ নিয়ন্ত্ৰণ।

২৪। শৰীৰৰ অভিভাৱকৰ কৰ্তব্যসমূহ।

২৫। প্ৰতিপাল্যজনৰ অভিৰক্ষাৰ ওপৰত অভিভাৱকজনৰ হক।

২৬। ক্ষেত্ৰাধিকাৰৰ পৰা প্ৰতিপাল্যজনক অপসাৰণ কৰা।

### সম্পত্তিৰ অভিভাৱক

২৭। সম্পত্তিৰ অভিভাৱকৰ কৰ্তব্য।

২৮। ইচ্ছাপত্ৰৰ দ্বাৰা নিযুক্ত হোৱা অভিভাৱকৰ ক্ষমতা।

২৯। ন্যায়ালয়ৰ দ্বাৰা সম্পত্তিৰ বাবে নিযুক্ত বা ঘোষিত অভিভাৱকৰ পৰিসীমা।

৩০। ধাৰা ২৮ বা ধাৰা ২৯ উলংঘন কৰি কৰা হস্তান্তৰ কাৰ্যৰ বাতিলকৰণীয়তা।

৩১। ধাৰা ২৯ মতে হস্তান্তৰ কৰিবলৈ অনুমতি দিয়া সম্বন্ধে পদ্ধতি।

৩২। ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত সম্পত্তিৰ অভিভাৱকৰ ক্ষমতাবোৰৰ পৰিবৰ্তন।

৩৩। প্ৰতিপাল্যজনৰ সম্পত্তিৰ ব্যৱস্থাপন কৰাৰ বাবে ন্যায়ালয়ৰ ৰায় লবলৈ তেনেকৈ নিযুক্ত বা ঘোষিত হোৱা অভিভাৱকজনৰ আবেদন কৰাৰ অধিকাৰ।

৩৪। সম্পত্তিৰ বাবে ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত অভিভাৱকৰ ওপৰত আৰোপিত বাধ্যবাধকতাবোৰ।

৩৪ ক। হিচাপ পৰীক্ষাৰ নিমিত্তে পাৰিশ্ৰমিক দিয়াৰ ক্ষমতা।

৩৫। যিক্ষেত্ৰত প্ৰশাসন-বন্ধপত্ৰ লোৱা হৈছিল তেনেক্ষেত্ৰত অভিভাৱকৰ বিৰুদ্ধে বাদ।

৩৬। যিক্ষেত্ৰত প্ৰশাসন-বন্ধপত্ৰ লোৱা হোৱা নাছিল তেনে ক্ষেত্ৰত অভিভাৱকৰ বিৰুদ্ধে বাদ।

৩৭। ন্যাসী হিচাপে অভিভাৱকৰ সাধাৰণ দায়িত্ব।

অভিভাৱকত্বৰ অৱসান

৩৮। যৌথীয়া অভিভাৱকসকলৰ মাজত উত্তৰজীৱিতাধিকাৰ।

৩৯। অভিভাৱকৰ অপসাৰণ।

৪০। অভিভাৱকৰ বিমুক্তি।

৪১। অভিভাৱকৰ প্ৰাধিকাৰ অন্ত হোৱা।

৪২। মৃত, বিমুক্ত বা অপসাৰিত অভিভাৱকৰ উত্তৰাধিকাৰী নিযুক্তি।

চতুৰ্থ অধ্যায়

অনুপূৰক উপবন্ধ

৪৩। অভিভাৱকসকলৰ আচৰণ বা কাৰ্যবাহীবোৰ বিনিয়মন কৰাৰ বাবে আদেশ আৰু সেই আদেশ বলবৎকৰণ।

৪৪। ক্ষেত্ৰাধিকাৰৰ পৰা প্ৰতিপাল্যক অপসাৰণ কৰাৰ বাবে দণ্ড।

৪৫। অবাধ্যতাচৰণ কৰাৰ বাবে দণ্ড।

৪৬। সমাহৰ্তাসকল আৰু অধীনস্থ ন্যায়ালয়সমূহৰ দ্বাৰা প্ৰতিবেদন।

৪৭। আদেশবোৰ আপীলযোগ্য।

৪৮। আন আন আদেশৰ চূড়ান্ততা।

৪৯। খৰছ।

৫০। নিয়ম প্ৰণয়ন কৰিবলৈ উচ্চ ন্যায়ালয়ৰ ক্ষমতা।

৫১। ন্যায়ালয়ৰ দ্বাৰা ইতিপূৰ্বে নিযুক্ত হোৱা অভিভাৱকসকলৰ ক্ষেত্ৰত এই অধিনিয়মৰ প্ৰযোজ্যতা।

৫২। [নিৰ্বাসিত]

৫৩। [নিৰ্বাসিত]

৫৪। [নিৰ্বাসিত]

# অভিভাৱক আৰু প্ৰতিপাল্য অধিনিয়ম, ১৮৯০

(১৮৯০ চনৰ ৮ নং অধিনিয়ম)

**(১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান)**

[১৮৯০ চনৰ ২১ মাৰ্চ]

অভিভাৱক আৰু প্ৰতিপাল্য সম্পৰ্কীয় বিধি একীকৃত কৰিবলৈ আৰু সংশোধন কৰিবলৈ প্ৰণয়ন কৰা এখনি অধিনিয়ম।

যিহেতু অভিভাৱক আৰু প্ৰতিপাল্য সম্পৰ্কীয় বিধি একীকৃত আৰু সংশোধন কৰাটো সমীচীন, সেইবাবে এতদ্দ্বাৰা নিম্নলিখিত ৰূপত অধি-নিয়মিত কৰা হৈছে ঃ

---

১। উদ্দেশ্য আৰু কাৰণবোৰৰ বিবৃতিৰ বাবে ১৮৮৬ চনৰ ভাৰতৰ ৰাজপত্ৰৰ পঞ্চম খণ্ডৰ ৭৭ পৃঃ চাওক;

প্ৰৱৰ সমিতিৰ প্ৰতিবেদনৰ বাবে ১৮৯০ চনৰ সেই ৰাজপত্ৰৰেই পঞ্চম খণ্ডৰ ৭৭ পৃঃ চাওঁক আৰু পৰিষদত হোৱা বিতৰ্কবোৰৰ বাবে ১৮৮৬ চনৰ সেই ৰাজপত্ৰৰেই পৰিশিষ্ট ৪১৯ আৰু ৬৬৬ পৃঃ আৰু ১৮৯০ চনৰ সেই ৰাজপত্ৰৰেই ষষ্ঠ খণ্ডৰ ৩৩ আৰু ৪৫ পৃঃ চাওঁক।

এই অধিনিয়মখন চাওঁতাল পৰগণা ব্যৱস্থাপন বিনিয়মৰ (১৮৭২ চনৰ ৩ নং) ৩ ধাৰাৰ দ্বাৰা চাওঁতাল পৰগণাত বলবৎ হ'ব বুলি ঘোষিত হৈছে, খোণ্ডমল জিলাত খোণ্ডমল বিধি বিনিয়মৰ ৩ ধাৰা (১৯৩৬ চনৰ ৪ নং অধিনিয়ম) আৰু অনুসূচীৰ দ্বাৰা বলবৎ হ'ব বুলি ঘোষিত হৈছে, আৰু অঙ্গুল বিধি বিনিয়মৰ (১৯৩৬ চনৰ ৫ নং অধিনিয়ম) ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা বলবৎ হ'ব বুলি ঘোষিত হৈছে।

গঞ্জাম আৰু বিশাখাপট্টমৰ অনুসূচিত জিলাবোৰত ১৮৭৪ চনৰ অনুসূচিত জিলা অধিনিয়মৰ (১৮৭৪ চনৰ ১৪ নং অধিনিয়ম) ৩ (খ) ধাৰা মতে দিয়া অধিসূচনাৰ দ্বাৰা এইখন অধিনিয়ম বলবৎ নহ'ব বুলি ঘোষিত হৈছে, এই বিষয়ে ১৮৯৮ চনৰ ভাৰতৰ ৰাজপত্ৰৰ প্ৰথম খণ্ড ৮৭২ পৃঃ চাওঁক।

মাদ্ৰাজ ৰাজ্যত অৱস্থিত আংশিকৰূপে বহিৰ্ভূত অঞ্চলবোৰৰ যিবোৰ অংশত ১৯৪০ চনৰ মাদ্ৰাজ (আংশিকৰূপে বহিৰ্ভূত অঞ্চল) অভিভাৱক আৰু প্ৰতিপাল্য বিনিয়মৰ (মাদ্ৰাজ ১৯৪০ চনৰ ৬ বিনিয়ম) দ্বাৰা এই অধিনিয়মখনৰ উপবন্ধবোৰ বলবৎ হৈ থকা নাই সেই অংশবোৰত আৰু ১৯৪১ চনৰ বেৰাৰ আইন বিধিৰ (১৯৪১ চনৰ ৪ নং) দ্বাৰা বেৰাৰত এই অধিনিয়মখন সম্প্ৰসাৰিত কৰা হৈছে।

১৯৪৩ চনৰ কোৰাপুট অভিভাৱক আৰু প্ৰতিপাল্য বিনিয়মৰ (উৰিষ্যা ১৯৪৩ চনৰ ৭ বিনিয়ম) দ্বাৰা কোৰাপুট জিলাতো এই অধিনিয়মখন কিছু পৰিমাণে সালসলনি কৰি সম্প্ৰসাৰিত কৰা হৈছে।

পণ্ডিচেৰী (বিধি সম্প্ৰসাৰণ) অধিনিয়ম, (১৯৬৮ৰ ২৬ নং) ৰ দ্বাৰা এইঅধিনিয়ম নিম্নোক্ত উপবন্ধ সাপেক্ষে পণ্ডিচেৰী সংঘ ৰাজ্যক্ষেত্ৰলৈ সম্প্ৰসাৰিত কৰা হৈছে:

'পন্তুৰ, এই অধিনিয়মৰ কোনো কথাই পণ্ডিচেৰী সংঘ ৰাজ্যক্ষেত্ৰৰ কোনোটো সকলৰ ক্ষেত্ৰত প্ৰয়োগ নহ'ব।"

১৯৫৬ চনৰ হিন্দু নাবালকত্ব আৰু অভিভাৱক অধিনিয়ম, ১৯৫৬ (১৯৫৬ চনৰ ৩২ নং অধিনিয়ম) ২ ধাৰাৰ দ্বাৰা এই অধিনিয়মখন অনুপূৰিত হৈছে।

# প্ৰথম অধ্যায়

প্ৰাৰম্ভিক

নাম, বিস্তাৰ আৰু প্ৰাৰম্ভ।

১। (১) এই অধিনিয়মখন, অভিভাৱক আৰু প্ৰতিপাল্য অধিনিয়ম, ১৮৯০ নামে অভিহিত হ'ব।

(২) ইয়াৰ বিস্তাৰ [1][ জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে ] XX [2] XXX [3] সমগ্ৰ ভাৰততে হ'ব।

(৩) এই অধিনিয়ম, ১৮৯০ চনৰ জুলাই মাহৰ পহিলা তাৰিখৰ পৰা বলবৎ হ'ব।

২। [নিৰসিত] ১৯৩৮ চনৰ নিৰসন অধিনিয়ম (১৯৩৮ৰ ১ নং অধিনিয়ম) ২ ধাৰা আৰু অনুসূচীৰ দ্বাৰা নিৰসিত।

প্ৰতিপাল্য অধিকৰণ বোৰৰ আৰু চনদ্ প্ৰাপ্ত উচ্চ ন্যায়ালয়বোৰৰ ক্ষেত্ৰাধিকাৰৰ ব্যাবৃত্তি।

৩। [4][ক্ষমতাযুক্ত কোনো বিধান মণ্ডলৰ, কোনো প্ৰাধিকাৰীৰ বা তেনে কোনো ব্যক্তিৰ] দ্বাৰা কোনো প্ৰতিপাল্য অধিকৰণ সম্পৰ্কে [5][এই অধিনিয়মখন বিস্তৃত থকা কোনো ৰাজ্যত] ইয়াৰ পূৰ্বে আৰু ইয়াৰ পিছত বিধিবদ্ধ হোৱা প্ৰতিখন অধিনিয়ম সাপেক্ষে এই অধিনিয়মখন পঠিত হব, আৰু এই অধিনিয়মখনত থকা কোনো কথাই কোনো প্ৰতিপাল্য অধিকৰণৰ ক্ষেত্ৰাধিকাৰ বা প্ৰাধিকাৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা বুলি বা সেইবোৰৰ অৱমীকৰণ কৰা বুলি নাইবা [6][কোনো উচ্চ ন্যায়ালয়ৰ] [7][ XX ] হাতত থকা ক্ষমতা কাঢ়ি লোৱা বুলি অৰ্থ নকৰিব।

---

১। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা "ভাগ-খৰ ৰাজ্যবোৰৰ বাহিৰে" এই কথাখিনিৰ পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

২। ১৯৪৮ চনৰ বিধি অনুকূলন আদেশৰ দ্বাৰা "বৃটিছ বেলুচিস্তানক সামৰিলৈ" কথাখিনি নিৰসিত কৰা হৈছে।

৩। ১৯৪৯ চনৰ ৪০ নং অধিনিয়মৰ ৩ ধাৰা আৰু দ্বিতীয় অনুসূচীৰ দ্বাৰা "আৰু" শব্দটো লোপ কৰা হৈছে।

৪। ১৯৩৭ চনৰ অনুকূলন আদেশৰ দ্বাৰা" স-পৰিষদ মহাৰাজ্যপাল নাইবা কোনো স-পৰিষদ ৰাজ্যপাল বা উপৰাজ্যপালৰ" পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

৫। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা "ভাগ 'ক' ৰাজ্যসমূহ আৰু ভাগ 'গ' ৰাজ্যসমূহৰ" পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

৬। ১৯৩৭ চনৰ অনুকূলন আদেশৰ দ্বাৰা "ষ্টেটিউট ২৪ আৰু ২৫ ভিক্টোৰিয়া অধ্যায় ১০৪ (ভাৰতত হাইকোৰ্ট অৱ জুডিকেচাৰ' স্থাপন কৰিবলৈ এখন অধিনিয়ম)ৰ অধীনত স্থাপিত কোনো উচ্চ ন্যায়ালয়"ৰ পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

৭। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ৩ ধাৰা আৰু অনুসচীৰ দ্বাৰা "ভাগ 'ক' ৰাজ্যসমূহত আৰু ভাগ 'খ' ৰাজ্যসমূহত স্থাপিত হোৱা" কথাষাৰ লোপ কৰা হৈছে।

পৰিভাষা।

৪। এই অধিনিয়মখনৰ বিষয়বস্তু বা প্ৰসঙ্গত বিপৰীত অৰ্থ নাথাকিলে এই অধিনিয়মখনত,-

(১) 'নাবালক' মানে এনে কোনো এজন ব্যক্তিক বুজায় যিয়ে ১৮৭৫ চনৰ ভাৰতীয় প্ৰাপ্তবয়স্কতা অধিনিয়মৰ উপবন্ধবোৰৰ অধীনত বয়স্কতা লাভ কৰা নাই বুলি গণ্য কৰা হয়; ১৮৭৫ৰ ৯ নং

(২) 'অভিভাৱক" মানে কোনো এজন নাবালকৰ শৰীৰৰ বা সম্পত্তিৰ নাইবা শৰীৰ আৰু সম্পত্তি উভয়ৰেই তত্বাৱধান লোৱা কোনো ব্যক্তি,

(৩) "প্ৰতিপাল্য' মানে এনে কোনো এজন নাবালক যাৰ শৰীৰ বা সম্পত্তিৰ নাইবা উভয়ৰেই নিমিত্তে এজন অভিভাৱক আছে,

(৪) 'জিলা ন্যায়ালয়' মানে ক'ড অফ্ চিভিল প্ৰচিডীয়াৰত[১] সেই শব্দটোৰ যিটো অৰ্থ নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে সেইটোৱেই আৰু সাধাৰণ প্ৰাৰম্ভিক চিভিল ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰা কোনো উচ্চ ন্যায়ালয়ো ইয়াৰ অন্তৰ্ভুক্ত হৈছে; ১৮৮২ৰ ১৪ নং

[২][(৫) 'ন্যায়ালয়' মানে—

(ক) কোনো এজন ব্যক্তিক অভিভাৱক নিযুক্ত বা ঘোষিত কৰাৰ আদেশ দিবৰ নিমিত্তে এই অধিনিয়মৰ অধীনত দিয়া কোনো আবেদন পত্ৰ গ্ৰহণ কৰিবলৈ যি জিলা ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ আছে, সেই জিলা ন্যায়ালয়ক বুজায়, নাইবা

(খ) তেনে কোনো আবেদন পত্ৰ অনুসৰি যি ক্ষেত্ৰত এজন অভিভাৱক নিযুক্ত বা ঘোষিত কৰা হৈছে, সেই ক্ষেত্ৰত—

(i) যি ন্যায়ালয়ে বা যিজন পদাধিকাৰীৰ ন্যায়ালয়ে অভিভাৱক নিযুক্ত কৰিছিল বা ঘোষণা কৰিছিল নাইবা এই অধিনিয়মৰ অধীনত অভিভাৱক নিযুক্ত বা ঘোষিত কৰা হোৱা বুলি গণ্য কৰা হয়, সেই ন্যায়ালয়ক বুজায়; বা

(ii) প্ৰতিপাল্যজনৰ শৰীৰ সম্পৰ্কীয় কোনো বিষয়ত যি ঠাইত প্ৰতিপাল্যজন সাধাৰণতে তৎকালীন বাস কৰি থাকে, সেই ঠাইত ক্ষেত্ৰাধিকাৰ থকা জিলা ন্যায়ালয়ক বুজায়;

(গ) ৪ ক ধাৰা মতে হস্তান্তৰিত হোৱা কোনো কাৰ্যবাহী সম্বন্ধে যিজন পদাধিকাৰীলৈ তেনেকুৱা কাৰ্যবাহী হস্তান্তৰ কৰি দিয়া হৈছে সেই পদাধিকাৰীজনৰ ন্যায়ালয়ক বুজায়, ]

---

১। বৰ্ত্তমান চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ (১৯০৮ৰ ৫ নং) অধিনিয়ম চাওঁক।

২। ১৯২৬ চনৰ ৪ নং অধিনিয়মৰ ২ ধাৰাৰ দ্বাৰা ৫ নং মূলদফাটোৰ পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

(৬) 'সমাহৰ্তা' মানে কোনো এখন জিলাৰ ৰাজহ প্ৰশাসনৰ ভাৰপ্ৰাপ্ত মুখ্য পদাধিকাৰীজনক বুজায়, আৰু এনে কোনো পদাধিকাৰীক অন্তৰ্ভুক্ত কৰে যি পদাধিকাৰীজনক ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত দিয়া অধিসূচনাৰ দ্বাৰা তেওঁৰ নাম উল্লেখ কৰি নাইবা পদেন সমাহৰ্তা বুলি উল্লেখ কৰি এই অধিনিয়মৰ আটাইবোৰ বা যিকোনো উদ্দেশ্য সাধনৰ বাবে কোনো এটা স্থানীয় অঞ্চলত বা কোনো এক শ্ৰেণীৰ ব্যক্তিবৰ্গৰ সম্বন্ধত সমাহৰ্তা ৰূপে নিযুক্তি দিয়ে;

[1](৭) xxx xxx xxx, আৰু

(৮) 'বিহিত' মানে এই অধিনিয়মৰ অধীনত উচ্চ ন্যায়ালয়ে প্ৰণয়ন কৰা নিয়মাৱলীৰ দ্বাৰা বিহিত বুজায়;

**অধীনস্থ ন্যায়িক পদাধিকাৰী সকলক ক্ষেত্ৰাধিকাৰ প্ৰদান আৰু তেনে পদাধিকাৰীসকলৈ কাৰ্যবাহীবোৰ হস্তান্তৰ কৰাৰ ক্ষমতা।**

[2][৪ ক। (১) উচ্চ ন্যায়ালয়ে সাধাৰণ বা বিশেষ আদেশৰদ্বাৰা যিকোনো জিলা ন্যায়ালয়ৰ অধীনস্থ প্ৰাৰম্ভিক চিভিল ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰা কোনো পদাধিকাৰীক এই ধাৰাৰ উপবন্ধসমূহৰ অধীনত তেনে পদাধিকাৰীলৈ হস্তান্তৰিত কৰা যিকোনো কাৰ্যবাহী এই অধিনিয়মৰ অধীনত নিষ্পত্তি কৰিবলৈ ক্ষমতা প্ৰদান কৰিব পাৰে বা যিকোনো জিলা ন্যায়ালয়ৰ ন্যায়াধীশজনক তেওঁৰ অধীনস্থ তেনে পদাধিকাৰীক তেনে কাৰ্যবাহী নিষ্পত্তিৰ বাবে ক্ষমতা প্ৰদান কৰিবলৈ অধিকাৰ দিব পাৰে।

(২) কোনো জিলা ন্যায়ালয়ৰ ন্যায়াধীশজনে তেওঁৰ ন্যায়ালয়ত লম্বিত হৈ থকা এই অধিনিয়মৰ অধীনৰ কোনো কাৰ্যবাহী, সেই কাৰ্যবাহীৰ যিকোনো পৰ্যায়তে উপধাৰা (১)ৰ অধীনত ক্ষমতাপ্ৰাপ্ত তেওঁৰ অধীনস্থ যিকোনো পদাধিকাৰীলৈ নিষ্পত্তিৰ বাবে লিখিত আদেশৰ দ্বাৰা হস্তান্তৰিত কৰিব পাৰে।

(৩) কোনো জিলা ন্যায়ালয়ৰ ন্যায়াধীশজনে উপধাৰা (১)ৰ অধীনত ক্ষমতাপ্ৰাপ্ত তেনে কোনো পদাধিকাৰীৰ ন্যায়ালয়ত লম্বিত হৈ থকা এই অধিনিয়মৰ অধীনৰ কোনো কাৰ্যবাহী, কাৰ্যবাহীটোৰ যিকোনো পৰ্যায়তে তেওঁৰ নিজৰ ন্যায়ালয়লৈ নাইবা তেওঁৰ অধীনস্থ তেনেকুৱা আন কোনো পদাধিকাৰীৰ ন্যায়ালয়লৈ হস্তান্তৰ কৰিব পাৰে।

(৪) য'ত অভিভাৱক এজন নিযুক্ত বা ঘোষিত কৰি দিয়া হৈছে, এনে কোনো ক্ষেত্ৰত যেতিয়া কোনো কাৰ্যবাহী এই ধাৰাৰ অধীনত হস্তান্তৰ কৰা হয়, জিলা ন্যায়ালয়ৰ ন্যায়াধীশজনে লিখিত আদেশৰ দ্বাৰা এনেদৰে ঘোষণা কৰিব পাৰে যে ন্যায়াধীশজনৰ ন্যায়ালয় নাইবা যি পদাধিকাৰীলৈ কাৰ্যবাহী হস্তান্তৰ কৰা হৈছে তেওঁৰ ন্যায়ালয় এই অধিনিয়মৰ আটাইবোৰ বা যিকোনোটো উদ্দেশ্য সাধনৰ বাবে অভিভাৱক জনক নিযুক্ত বা ঘোষণাকাৰী ন্যায়ালয় বুলি গণ্য কৰা হব।]

---

১। ১৯৫১ চনৰ ৩নং অধিনিয়মৰ ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা খণ্ড (৭) লোপ কৰা হৈছে।
২। ১৯৩৬ চনৰ ৪ নং অধিনিয়মৰ ৩ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত।

# দ্বিতীয় অধ্যায়

অভিভাৱকৰ নিযুক্তি আৰু ঘোষণা

৫। [ইউৰোপীয় বৃটিছ প্ৰজাবোৰৰ ক্ষেত্ৰত পিতা-মাতাৰ নিযুক্তি দিয়াৰ ক্ষমতা][1] ১৯৫১ চনৰ 'খ' ভাগৰ ৰাজ্যসমূহ (বিধি) অধিনিয়মৰ (১৯৫১ চনৰ ৩ নং অধিনিয়ম) ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা নিৰসিত।

আন আন ক্ষেত্ৰত নিযুক্তি দিয়া ক্ষমতাৰ ব্যাবৃত্তি।

৬। কোনো এজন নাবালকৰ ক্ষেত্ৰত XXX এই অধিনিয়মত থকা কোনো কথাই নাবালকজন যি বিধিৰ অধীন সেই বিধিৰ দ্বাৰা মান্য তেওঁৰ শৰীৰৰ বা সম্পত্তিৰ নাইবা উভয়ৰ বাবে অভিভাৱক নিযুক্ত কৰা কোনো ক্ষমতা কাঢ়ি লোৱা বা অস্বীকৰণ কৰা বুলি অৰ্থ কৰা নহব।

**অভিভাৱকত্ব সম্বন্ধে ন্যায়ালয়ৰ আদেশ দিয়াৰ ক্ষমতা।**

৭। (১) যি ক্ষেত্ৰত ন্যায়ালয় এই বুলি পতিয়ন যায় যে কোনো এজন নাবালকৰ কল্যাণৰ অৰ্থে—

(ক) নাবালকজনৰ শৰীৰৰ বা সম্পত্তিৰ নাইবা উভয়ৰেই অভিভাৱক এজন নিযুক্ত কৰি, নাইবা

(খ) কোনো এজন ব্যক্তিক তেনেকুৱা অভিভাৱক বুলি ঘোষণা কৰি,

কোনো আদেশ দিয়া উচিত তেনে ক্ষেত্ৰত ন্যায়ালয়ে তদনুসাৰে আদেশ দিব পাৰে।

(২) যি অভিভাৱক কোনো ইচ্ছাপত্ৰৰ বা আন কোনো লেখ্যৰ দ্বাৰা নিযুক্ত হোৱা নাই অথবা ন্যায়ালয়ৰ দ্বাৰাও নিযুক্ত বা ঘোষিত হোৱা নাই, এই ধাৰাৰ অধীনত দিয়া কোনো আদেশে তেনে যিকোনো অভিভাৱকক অপসাৰণ কৰা বুলি বুজাব।

(৩) য'ত কোনো ইচ্ছাপত্ৰৰ বা আন কোনো লেখ্যৰ দ্বাৰা অভিভাৱক এজন নিযুক্ত কৰা হৈছে নাইবা ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত হৈছে, তেনে ক্ষেত্ৰত উপৰোক্ত ৰূপে নিযুক্ত বা ঘোষিত হোৱা অভিভাৱকজনৰ ক্ষমতাসমূহ এই অধিনিয়মৰ উপবন্ধসমূহৰ অধীনত অন্ত নোহোৱালৈকে তেওঁৰ সলনি আন কোনো ব্যক্তিক এই ধাৰাৰ অধীনত অভিভাৱক ৰূপে নিযুক্ত কৰা বা ঘোষণা কৰা বুলি আদেশ নিদিব।

**আদেশৰ বাবে আবেদন কৰিবলৈ হকদাৰ ব্যক্তি সকল।**

৮। অন্তিম পূৰ্ববৰ্তী ধাৰাৰ অধীনত কোনো আদেশ নিম্নলিখিত সকলৰ আবেদন পত্ৰ ব্যতিৰেকে দিয়া নহব:—

(ক) নাবালকজনৰ অভিভাৱক হবলৈ ইচ্ছা কৰা বা দাবী কৰা ব্যক্তিৰ, বা

(খ) নাবালকজনৰ কোনো আত্মীয় বা বন্ধুৰ, বা

(গ) যিখন জিলাত বা যিটো স্থানীয় অঞ্চলত নাবালকজন সাধাৰণতে বাস কৰি থাকে বা তেওঁৰ সম্পত্তি আছে, সেই জিলাখনৰ বা সেই স্থানীয় অঞ্চলটোৰ সমাহৰ্তাজনৰ, বা

(ঘ) নাবালকজন যি শ্ৰেণীৰ মানুহ সেই শ্ৰেণীটোৰ সম্বন্ধত প্ৰাধিকাৰ থকা সমাহৰ্তাজনৰ।

---

১। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "যি এজন ইউৰোপীয় বৃটিছ প্ৰজা নহয়" কথাখাৰ লোপ কৰা হৈছে।

আবেদন পত্ৰ গ্ৰহণ কৰিবলৈ ক্ষেত্ৰাধিকাৰ থকা ন্যায়ালয়।

৯। (১) যদি আবেদনপত্ৰখন নাবালকজনৰ শৰীৰৰ অভিভাৱকত্ব সম্বন্ধীয় হয়, তেন্তে সেইখন নাবালকজন যি ঠাইত সাধাৰণতে বাস কৰে সেই ঠাইত ক্ষেত্ৰাধিকাৰ থকা জিলা ন্যায়ালয়ত দাখিল কৰিব লাগিব।

(২) যদি আবেদনপত্ৰখন নাবালকজনৰ সম্পত্তিৰ অভিভাৱকত্ব সম্বন্ধীয় হয়, তেন্তে সেইখন নাবালকজন যি ঠাইত সাধাৰণতে বাস কৰে সেই ঠাইত ক্ষেত্ৰাধিকাৰ থকা জিলা ন্যায়ালয়ত দাখিল কৰিব পাৰে অথবা তেনে এখন জিলা ন্যায়ালয়ত দাখিল কৰিব পাৰে যাৰ নাবালকজনৰ সম্পত্তি থকা ঠাইত ক্ষেত্ৰাধিকাৰ থাকে।

(৩) যদি নাবালকজনৰ সম্পত্তিৰ অভিভাৱকত্ব সম্বন্ধীয় আবেদনপত্ৰ যি ঠাইত নাবালকজন সাধাৰণতে বাস কৰে, সেই ঠাইত ক্ষেত্ৰাধিকাৰ থকা জিলা ন্যায়ালয়ত দাখিল নকৰি আন জিলা ন্যায়ালয়ত দাখিল কৰা হয়, তেন্তে সেই আবেদনপত্ৰখন সম্বন্ধে ন্যায়ালয়ে যদি এনে অভিমত দিয়ে যে ক্ষেত্ৰাধিকাৰ থকা আন কোনো জিলা ন্যায়ালয়ত সেই আবেদন পত্ৰখন ন্যায়সঙ্গতৰূপে বা সুবিধাজনক ভাৱে নিষ্পত্তি হব পাৰে, তেতিয়াহলে সেই আদালতে আবেদন পত্ৰখন ঘূৰাই দিব পাৰে।

আবেদনৰ প্ৰপত্ৰ।

১০। (১) যদি আবেদন পত্ৰখন সমাহৰ্তাৰ দ্বাৰা দিয়া নহয়, তেন্তে বাদপত্ৰত হস্তাক্ষৰ আৰু সত্যাপন কৰিবৰ বাবে ক'ড অফ চিভিল প্ৰচিডীয়াৰৰ [১] দ্বাৰা বিহিত যি ৰীতি সেই ৰীতিৰে হস্তাক্ষৰিত আৰু সত্যাপিত আৰ্জিৰ দ্বাৰা কৰিব লাগিব আৰু যিমানদূৰ অভিনিশ্চিত কৰিব পৰা যায় সিমানদূৰ নিম্নলিখিত বিৱৰণ আৰ্জিখনত দিব লাগিব :— ১৮৮২ চনৰ ১৪ নং

(ক) নাবালকৰ নাম, লিংগ, ধৰ্ম, জন্মৰ তাৰিখ আৰু সাধাৰণ বাসস্থান;

(খ) যি ক্ষেত্ৰত নাবালক নাৰী হয়, তেনে ক্ষেত্ৰত তেওঁ বিবাহিতা হয় নে নহয়, আৰু যদি বিবাহিতা হয় তেন্তে স্বামীৰ নাম আৰু বয়স;

(গ) নাবালকৰ যদি কোনো সম্পত্তি থাকে সেই সম্পত্তিৰ প্ৰকৃতি, অৱস্থান আৰু আনুমানিক মূল্য;

(ঘ) নাবালকৰ শৰীৰৰ বা সম্পত্তিৰ অভিৰক্ষাত থকা বা দখলত থকা ব্যক্তিজনৰ নাম আৰু বাসস্থান;

(ঙ) নাবালকৰ নিকট সম্বন্ধীয় কোন কোন আছে আৰু তেওঁলোক ক'ত বাস কৰে;

(চ) নাবালক যি বিধিৰ অধীন, সেই বিধিৰ দ্বাৰা তেনে নিযুক্তি দিবলৈ অধিকাৰ থকা বা অধিকাৰী হোৱা বুলি দাবী কৰা কোনো ব্যক্তিৰ দ্বাৰা নাবালকৰ শৰীৰৰ বা সম্পত্তিৰ নাইবা উভয়ৰে কোনো এজন অভিভাৱক নিযুক্ত কৰা হৈছে নে নাই;

(ছ) নাবালকৰ শৰীৰৰ বা সম্পত্তিৰ নাইবা উভয়ৰে অভিভাৱকত্ব সম্বন্ধে সেই ন্যায়ালয়ত নাইবা আন কোনো ন্যায়ালয়ত কোনো সময়ত আবেদন পত্ৰ দাখিল কৰা হৈছে নে নাই, আৰু যদি হৈছে কেতিয়া কোন ন্যায়ালয়ত হৈছে আৰু তাৰ ফলাফল কি;

---

১। বৰ্তমান চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ (১৯০৮ চনৰ ৫ নং) চাওঁক।

(জ) আবেদন পত্ৰখন নাবালকৰ শৰীৰৰ অভিভাৱক নিযুক্ত বা ঘোষিত কৰিবৰ বাবে কৰা হৈছেনে তেওঁৰ সম্পত্তিৰ বা উভয়বেই অভিভাৱক নিযুক্ত বা ঘোষিত কৰিবৰ বাবে কৰা হৈছে;

(ঝ) যি ক্ষেত্ৰত আবেদন পত্ৰখন অভিভাৱক এজন নিযুক্ত কৰিবলৈ কৰা হয়, তেনে ক্ষেত্ৰত প্ৰস্তাৱিত অভিভাৱকজনৰ যোগ্যতাবোৰ;

(ঞ) যি ক্ষেত্ৰত আবেদন পত্ৰখন কোনো ব্যক্তিক অভিভাৱক বুলি ঘোষণা কৰিবলৈ কৰা হয়, তেনে ক্ষেত্ৰত যি আধাৰৰ ওপৰত নিৰ্ভৰ কৰি সেই ব্যক্তিজনে অভিভাৱক হবলৈ দাবী কৰে সেই আধাৰবোৰ ;

(ট) আবেদন পত্ৰখন দাখিল কৰিবলৈ প্ৰেৰণা দিয়া কাৰণবোৰ; আৰু

(১) বিহিত হ'ব পৰা নাইবা আবেদন পত্ৰখনৰ প্ৰকৃতিৰ বাবে বৰ্ণনা দিবলৈ প্ৰয়োজন হোৱা আন তেনেকুৱা, যদি কিবা থাকে, বিশেষ বিৱৰণ।

(২) যদি আবেদন পত্ৰখন সমাহৰ্তাৰ দ্বাৰা দিয়া হয়, তেন্তে ন্যায়ালয়ক সম্বোধন কৰি লিখা পত্ৰৰ দ্বাৰা দিব লাগিব আৰু ডাক যোগে নাইবা যি প্ৰকাৰে সুবিধাজনক হোৱা বুলি ভাবে, তেনে আন কোনো প্ৰকাৰে পত্ৰখন প্ৰেৰণ কৰিব আৰু (১) উপধাৰাত উল্লেখ কৰা সবিশেষ বিৱৰণ-বোৰ যিমানদূৰ সম্ভৱ হয় বৰ্ণনা কৰিব।

(৩) প্ৰস্তাৱিত অভিভাৱকজনৰ অভিভাৱক ৰূপে কাৰ্য কৰা ইচ্ছাৰ বিষয়ে এক ঘোষণা আবেদন পত্ৰখনৰ লগত থাকিব লাগিব, আৰু সেই ঘোষণাটো তেওঁৰ দ্বাৰা স্বাক্ষৰিত হব লাগিব আৰু অন্ততঃ দুজন সাক্ষীৰ দ্বাৰা অনুপ্ৰমাণিত হব লাগিব।

**আবেদনপত্ৰ গ্ৰহণ কৰাত অৱলম্বনীয় প্ৰক্ৰিয়া।**

১১। (১)যদি ন্যায়ালয়ে এই বুলি পতিয়ন যায় যে আবেদনৰ ওপৰত কাৰ্যবাহী কৰিবৰ বাবে আধাৰ আছে তেন্তে ন্যায়ালয়ে আবেদনখন শুনানিৰ বাবে দিন এটা ধাৰ্য কৰিব আৰু আবেদনৰ আৰু শুনানিৰ বাবে নিৰ্দ্ধাৰণ কৰা তাৰিখটোৰ সূচনা —

(ক) ক'ড অফ্ চিভিল প্ৰচিডীয়াৰত[1] যি প্ৰকাৰে আছে, সেই প্ৰকাৰে (তলত লিখা ব্যক্তিবোৰৰ ওপৰত) জাৰি কৰিবলৈ দিয়াব :- ১৮৮২ চনৰ ১৪ নং

(i) নাবালকৰ পিতা মাতাৰ ওপৰত, যদি তেওঁলোকে [2][এই অধিনিয়মখন বিস্তৃত থকা কোনো ৰাজ্যত] বাস কৰি আছে,

(ii) নাবালকৰ শৰীৰৰ বা সম্পত্তিৰ অভিৰক্ষা বা দখল থকা বুলি কোনো ব্যক্তিৰ নাম আৰ্জিখনত বা পত্ৰখনত দিয়া থাকিলে তেনে ব্যক্তিজনৰ ওপৰত ;

---

১। বৰ্তমান চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ (১৯০৮ৰ ৫ নং) চাওঁক।

২। ১৯৫১ চনৰ অধিনিয়ম নং ৩ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা 'ক' খণ্ডৰ ৰাজ্য এখন আৰু 'খ' খণ্ডৰ ৰাজ্য এখনৰ" পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

(iii) তেওঁ নিজেই দৰ্খাস্তকাৰী নহলে, যিজন ব্যক্তিক অভিভাৱক নিযুক্ত বা ঘোষিত কৰিবলৈ আবেদন পত্ৰখনত নাইবা পত্ৰখনত প্ৰস্তাৱ দিয়া হয়, সেইজন ব্যক্তিৰ ওপৰত; আৰু

(iv) ন্যায়ালয়ৰ ৰায় মতে যাৰ ওপৰত আবেদন পত্ৰখনৰ বিশেষ জাননী দিয়া উচিত, তেনে আন কোনো ব্যক্তিৰ ওপৰত; আৰু

(খ) সেই জাননীখন ন্যায়ালয় ভৱনৰ আৰু নাবালকৰ বাসস্থানৰ সকলোৰে চকুতপৰা কোনো অংশত লগাই থব লাগিব আৰু এই অধিনিয়মৰ অধীনত উচ্চ ন্যায়ালয়ে প্ৰণয়ন কৰা নিয়মাৱলী সাপেক্ষে ন্যায়ালয়ে যেনেদৰে উপযুক্ত বুলি ভাবে তেনেদৰে আন প্ৰকাৰেও প্ৰকাশিত কৰিব।

(২) ৰাজ্য চৰকাৰে সাধাৰণ নাইবা বিশেষ আদেশৰ দ্বাৰা এইটো বিচাৰিব পাৰে যে যেতিয়া ১০ ধাৰাৰ (১) উপধাৰা মতে দিয়া আৰ্জি এখনত বৰ্ণিত সম্পত্তিটোৰ কোনো অংশ এনে কোনো ভূমি হয় যি ভূমি খণ্ডৰ অধীক্ষণ কাৰ্য কোনো এটা প্ৰতিপাল্য অধিকৰণ গ্ৰহণ কৰিব পাৰে, তেতিয়া ন্যায়ালয়ে যি সমাহৰ্তাজনৰ জিলাত নাবালকজনে সাধাৰণতে বাস কৰে সেই সমাহৰ্তাজনৰ ওপৰত আৰু সেই ভূমিৰ যি কোনো অংশ যি সমাহৰ্তাৰ জিলাৰ ভিতৰত অৱস্থিত তেনে প্ৰতিজন সমাহৰ্তাৰ ওপৰতো পূৰ্বোক্ত জাননী জাৰি কৰাব লাগিব আৰু সমাহৰ্তাজনে যেনেকুৱা উপযুক্ত বিবেচনা কৰে তেনেকুৱাকৈ সেই জাননী প্ৰকাশিত কৰাব পাৰে।

(৩) উপধাৰা (২) ৰ অধীনত জাৰি কৰা বা প্ৰকাশ কৰা কোনো জাননীৰ জাৰিৰ বা প্ৰকাশৰ বাবে ন্যায়ালয়ে বা সমাহৰ্তাজনে কোনো প্ৰভাৰ লগাব নোৱাৰিব।

নাবালকক হাজিৰ কৰাই দিবৰ বাবে আৰু নাবালকৰ শৰীৰ আৰু সম্পত্তিৰ অন্তঃকালীন ৰক্ষণাবেক্ষণৰ বাবে অন্তৰ্বৰ্তী আদেশ দিয়াৰ ক্ষমতা।

১২। (১) ন্যায়ালয়ে নিৰ্দেশ দিব পাৰে যে নাবালকজনৰ অভিৰক্ষ প্ৰাপ্ত যদি কোনো ব্যক্তি থাকে তেন্তে সেই ব্যক্তিজনে ন্যায়ালয়ে নিৰ্দিষ্ট কৰি দিয়া তেনে কোনো ঠাইত আৰু সময়ত আৰু তেনে কোনো ব্যক্তিৰ আগত নাবালকজনক হাজিৰ কৰিব বা কৰাব, আৰু ন্যায়ালয়ে যেনেদৰে উচিত বুলি ভাবে তেনেদৰে নাবালকজনৰ শৰীৰৰ বা সম্পত্তিৰ অস্থায়ী অভিৰক্ষাৰ আৰু ৰক্ষণাবেক্ষণৰ বাবেও তদনুৰূপ আদেশ দিব পাৰে।

(২) যদি নাবালকজন কোনো নাৰী হয় যাক লোক-সমক্ষে হাজিৰ কৰিবলৈ বাধ্য কৰা অনুচিত তেন্তে উপধাৰা (১) মতে তেওঁক হাজিৰ কৰিব দিয়া নিৰ্দেশটোৱে দেশপ্ৰথা আৰু ৰীতি অনযায়ী তেওঁক হাজিৰ কৰাবলৈ নিৰ্দেশ দিব।

(৩) এই ধাৰাটোত থকা কোনো কথাই :—

(ক) নাবালিকাৰ মাক-বাপেক, যদি থাকে, তেওঁলোকৰ সন্মতিক্ৰমে তেওঁ ইতিপূৰ্বেই স্বামীৰ অভিৰক্ষাত নাথাকিলে, সেই নাবালিকাৰ স্বামী হোৱাৰ ভিত্তিত তেওঁৰ অভিভাৱক বুলি কোনোবা ব্যক্তিয়ে দাবী কৰিলে সেইজন ব্যক্তিৰ অস্থায়ী অভিৰক্ষাত তেওঁক ৰাখিবলৈ ন্যায়ালয়ক প্ৰাধিকাৰ নিদিব, অথবা

(খ) যাৰ ওপৰত নাবালকৰ সম্পত্তিৰ অস্থায়ী অভিৰক্ষাৰ আৰু ৰক্ষণাবেক্ষণৰ ভাৰ ন্যস্ত কৰা হৈছে তেনে ব্যক্তিক বিধিৰ সম্যক ব্যৱস্থা অৱলম্বন নকৰাকৈ তেনে যিকোনো সম্পত্তি দখল কৰি থকা কোনো ব্যক্তিক দখলচ্যুত কৰিবৰ বাবে প্ৰাধিকাৰ নিদিব।

**আবেদন দিয়াৰ পূৰ্বে সাক্ষ্যৰ শুনানি।**

১৩। আবেদন শুনানিৰ বাবে ধাৰ্য কৰা দিনটোত নাইবা তাৰ পিচত যিমান শীঘ্ৰে হ'ব পাৰে, আবেদন পত্ৰখনৰ সপক্ষে বা বিপক্ষে যেনেকুৱা সাক্ষ্য দিয়া হয়, তেনেকুৱা সাক্ষ্য ন্যায়ালয়ে শুনিব লাগিব।

**ভিন ভিন ন্যায়ালয়ত একে সময়তে উপস্থাপিত কাৰ্যবাহীবোৰ।**

১৪। (১) কোনো নাবালকৰ অভিভাৱক এজন নিযুক্ত বা ঘোষণা কৰিবৰ বাবে যদি একাধিক ন্যায়ালয়ত কাৰ্যবাহী কৰা হয় তেন্তে তেনে ন্যায়ালয় সমূহৰ প্ৰতিখন ন্যায়ালয়ে আনখন বা আন আন ন্যায়ালয়ত বিচাৰৰ নিমিত্তে উপস্থাপিত কৰা তেনেকুৱা কাৰ্যবাহীৰ বিষয়ে অৱগত হোৱাৰ পিচত নিজ ন্যায়ালয়ত উপস্থাপিত কাৰ্যবাহী স্থগিত ৰাখিব।

(২) যদি দুয়োখন নাইবা আটাইবোৰ ন্যায়ালয় একেখন উচ্চ ন্যায়ালয়ৰ অধীন হয় তেনেহলে তেওঁলোকে উচ্চ ন্যায়ালয়লৈ গোচৰৰ প্ৰতিবেদন পঠাব, আৰু উচ্চ ন্যায়ালয়ে সেই ন্যায়ালয় সমূহৰ কোনখনে নাবালকৰ অভিভাৱক নিযুক্তি বা ঘোষণা সম্বন্ধীয় কাৰ্যবাহীৰ শুনানি লব সেইটো অৱধাৰিত কৰিব।

[1][(৩) উপধাৰা (১)ৰ অধীনত কাৰ্যবাহী স্থগিত ৰখা আন যিকোনো ক্ষেত্ৰত ন্যায়ালয়সমূহে নিজৰ নিজৰ ৰাজ্য চৰকাৰলৈ গোচৰৰ প্ৰতিবেদন পঠাব আৰু ৰাজ্য চৰকাৰৰ পৰা যেনেকুৱা আদেশ পায় তেনেকুৱা আদেশৰ দ্বাৰা পৰিচালিত হব।]

**কেইবাজনো অভিভাৱকৰ নিযুক্তি বা ঘোষণা।**

১৫। (১) নাবালকজন যি বিধিৰ অধীন হয় সেই বিধি অনুসৰি শৰীৰৰ বা সম্পত্তিৰ নাইবা উভয়ৰে বাবে দুজন বা ততোধিক যুটীয়া অভিভাৱক থকাটো স্বীকৃত হয় তেনেহলে ন্যায়ালয়ে উপযুক্ত বুলি ভাবিলে দুজন বা ততোধিক অভিভাৱক নিযুক্তি দিব বা ঘোষণা কৰিব পাৰে।

[2][ XXX XXX XXX ]

(৪) নাবালকৰ শৰীৰৰ আৰু তেওঁৰ সম্পত্তিৰ বাবে বেলেগ বেলেগ অভিভাৱক নিযুক্ত বা ঘোষণা কৰিব পাৰে।

(৫) যদি কোনো নাবালকৰ কেইবাটাও সম্পত্তি থাকে তেনেহলে ন্যায়ালয়ে উপযুক্ত বুলি ভাবিলে তেনেবোৰ সম্পত্তিৰ এটা বা একাধিকৰ বাবে একোজনকৈ সুকীয়া অভিভাৱক নিযুক্ত বা ঘোষণা কৰিব পাৰে।

**ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ বাহিৰত থকা সম্পত্তিৰ বাবে অভিভাৱক নিযুক্তি বা ঘোষণা।**

১৬। ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ স্থানীয় সীমাৰ বাহিৰত অৱস্থিত কোনো সম্পত্তিৰ বাবে যদি ন্যায়ালয়ে কোনো এজন অভিভাৱক নিযুক্ত বা ঘোষণা কৰে তেন্তে অভিভাৱকজনক নিযুক্ত বা ঘোষণা কৰা আদেশটোৰ এক প্ৰমাণিত প্ৰতিলিপি দাখিল কৰিলে সেই সম্পত্তিটো যি ঠাইত অৱস্থিত সেই ঠাইত ক্ষেত্ৰাধিকাৰ থকা ন্যায়ালয়খনে সেইজন অভিভাৱককেই যথাৰ্থৰূপে নিযুক্ত বা ঘোষিত হোৱা অভিভাৱক বুলি স্বীকৃতি দিব আৰু সেই আদেশ প্ৰভাৱশীল কৰিব।

**অভিভাৱক নিযুক্ত কৰোতে ন্যায়ালয়ে বিবেচনা কৰিবলগীয়া বিষয়বোৰ।**

১৭। (১) কোনো এজন নাবালকৰ অভিভাৱক নিযুক্ত বা ঘোষণা কৰোতে, নাবালকজন যি বিধিৰ অধীন হয় সেই বিধিৰ লগত সঙ্গতি ৰাখি ন্যায়ালয়খনে এই ধাৰাটোৰ উপবন্ধবোৰৰ সাপেক্ষে সেই পৰিস্থিতিত যিদৰে কৰিলে নাবালকজনৰ কল্যাণৰ নিমিত্তে কৰা বুলি প্ৰতীত হয়, সেইদৰে পৰিচালিত হব।

---

১। ১৯৩৭ চনৰ অনুকূলন আদেশৰ দ্বাৰা মূল (৩) উপধাৰাৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা (২) আৰু (৩) উপধাৰা দুটা লোপ কৰা হৈছে।

(২) কি কৰিলে নাবালকজনৰ কল্যাণৰ নিমিত্তে কাম কৰা হয়, সেইটো বিবেচনা কৰোতে ন্যায়ালয়খনে নাবালকৰ বয়স, লিংগ আৰু ধৰ্ম, প্ৰস্তাৱিত অভিভাৱকজনৰ স্বভাৱ-চৰিত্ৰ আৰু সামৰ্থ্য আৰু নাবালকৰ সৈতে বক্ত সম্বন্ধত তেওঁৰ নিকটতা, নাবালকৰ মৃত পিতা বা মাতা কোনো এজনৰ কিবা ইচ্ছা থাকিলে সেই ইচ্ছা আৰু নাবালকৰ লগত বা নাবালকৰ সম্পত্তিৰ লগত প্ৰস্তাৱিত অভিভাৱকজনৰ বৰ্ত্তমান বা পূৰ্ববৰ্তী সম্বন্ধৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব।

(৩) বুদ্ধিমত্তাৰে অগ্ৰাধিকাৰ গঠন কৰিবৰ বাবে নাবালকজনৰ যদি যথেষ্ট বয়স হৈছে, তেন্তে ন্যায়ালয়ে সেই অগ্ৰাধিকাৰটো বিবেচনা কৰি চাব পাৰে।

[1][ XXX XXX XXX ]

(৫) কোনো ব্যক্তিক তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে ন্যায়ালয়ে অভিভাৱক নিযুক্ত বা ঘোষণা নকৰিব।

সমাহৰ্তা পদৰ আধাৰত অভিভাৱকজনক নিযুক্ত বা ঘোষণা।

১৮। যি ক্ষেত্ৰত সমাহৰ্তা এজনক তেওঁৰ পদৰ আধাৰত ন্যায়ালয়ে কোনো নাবালকৰ শৰীৰৰ বা সম্পত্তিৰ নাইবা উভয়ৰে অভিভাৱক ৰূপে নিযুক্তি দিয়ে বা ঘোষিত কৰে, তেনে নিযুক্তি দিয়া বা ঘোষণা কৰা আদেশটোৱে সেই পদটো তৎকালীন অধিকাৰ কৰি থকা ব্যক্তিজনক সেই নাবালকজনৰ, যথাস্থিতি, শৰীৰৰ বা সম্পত্তিৰ নাইবা উভয়ৰে অভিভাৱক ৰূপে কাম কৰিবলৈ প্ৰাধিকাৰ দিয়া আৰু অপেক্ষিত কৰা বুলি গণ্য কৰা হব।

**কোনো কোনো ক্ষেত্ৰত ন্যায়ালয়ৰ দ্বাৰা অভিভাৱক নিযুক্ত কৰিব লগা নহয়।**

১৯। এই অধ্যায়ৰ কোনো কথাই নাবালকৰ যি সম্পত্তি কোনো এটা প্ৰতিপাল্য অধিকৰণৰ অধীক্ষণত ৰখা হৈছে, তেনে কোনো সম্পত্তিৰ অভিভাৱক নিযুক্ত কৰিবৰ বা ঘোষণা কৰিবৰ বাবে ন্যায়ালয়ক প্ৰাধিকাৰ নিদিব, অথবা

(ক) এনে নাবালকৰ যি এজনী বিবাহিতা নাৰী হয় আৰু তেওঁৰ স্বামী ন্যায়ালয়ৰ বায়মতে তেওঁৰ শৰীৰৰ অভিভাৱক হবলৈ অনুপযুক্ত নহয়, বা

(খ) [2] [ XXX XXX ] এনে নাবালকৰ যাৰ পিতৃ জীৱিত আৰু ন্যায়ালয়ৰ বায়মতে তেওঁ নাবালকৰ শৰীৰৰ অভিভাৱক হবলৈ অনুপযুক্ত নহয়, বা

(গ) এনে নাবালকৰ যাৰ সম্পত্তিটো তেওঁৰ শৰীৰৰ অভিভাৱক নিযুক্ত কৰিবলৈ সক্ষম হোৱা কোনো এটা প্ৰতিপাল্য অধিকৰণৰ অধীক্ষণাধীন হৈ আছে,

তেনে নাবালকৰ শৰীৰৰ অভিভাৱক নিযুক্ত বা ঘোষিত কৰিবলৈ ন্যায়ালয়ক প্ৰাধিকাৰ নিদিব।

---

১। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা (৪) উপধাৰাটো লোপ কৰা হৈছে।

২। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা "ইউৰোপীয় বৃটিছ প্ৰজাবোৰ সম্বন্ধে এই অধিনিয়মৰ উপবন্ধবোৰ সাপেক্ষে" কথাখিনি লোপ কৰা হৈছে।

# তৃতীয় অধ্যায়

## অভিভাৱকৰ কৰ্তব্য, অধিকাৰ আৰু দায়িত্ব

### সাধাৰণ

**অভিভাৱকৰ প্ৰতিপাল্যজনৰ সৈতে বিশ্বাসিক সম্বন্ধ।**

২০। (১)অভিভাৱকৰ তেওঁৰ প্ৰতিপাল্যজনৰ লগত এক বৈশ্বাসিক সম্বন্ধ হয় আৰু তেওঁক নিযুক্তি দিয়া ইচ্ছাপত্ৰখনৰ দ্বাৰা বা আন কোনো লেখ্য থাকিলে তাৰ দ্বাৰা উপবন্ধিত ব্যতিৰেকে, নাইবা এইখন অধিনিয়মৰ দ্বাৰা উপবন্ধিত ব্যতিৰেকে অভিভাৱকজনে তেওঁৰ পদৰ পৰা আন কোনো প্ৰকাৰৰ লাভ কৰিব নোৱাৰিব।

(২) এজন অভিভাৱকৰ প্ৰতিপাল্যজনৰ প্ৰতি থকা বৈশ্বাসিক সম্বন্ধটো প্ৰতিপাল্যজন নাবালক হৈ থকা অৱস্থাটোৰ অৱসানৰ অব্যৱহিত পশ্চাৎ বা অনতি পলমে অভিভাৱকৰ দ্বাৰা প্ৰতিপাল্যৰ সম্পত্তি আৰু প্ৰতিপাল্যৰ দ্বাৰা অভিভাৱকৰ সম্পত্তি কৃয় কৰা কাৰ্যলৈকে বিস্তৃত হয়, আৰু তেনেবোৰ কাৰ্যত প্ৰভাৱ বিস্তাৰ কৰে, আৰু প্ৰতিপাল্যজনৰ ওপৰত অভিভাৱক জনৰ প্ৰভাৱ যেতিয়ালৈকে বৰ্তি থাকে বা যেতিয়া অলপদিন আগলৈকে তেনে প্ৰভাৱ বৰ্তি থাকে তেনে অৱস্থাত সাধাৰণতে তেওঁলোকৰ মাজত হোৱা সকলোবোৰ সংব্যৱহাৰলৈকে সেই বৈশ্বাসিক সম্বন্ধটো বিস্তৃত থাকে।

**অভিভাৱক ৰূপে কাৰ্য কৰিবলৈ নাবালকৰ সামৰ্থ্য।**

২১। কোনো নাবালক তেওঁৰ নিজৰ পত্নী বা সন্তানৰ বাহিৰে নাইবা য'ত তেওঁ কোনো এটা অবিভক্ত হিন্দু পৰিয়ালৰ কৰ্তা হয় তেনে ক্ষেত্ৰত সেই পৰিয়ালটোৰ আন এজন নাবালকৰ পত্নী বা সন্তানৰ বাহিৰে আন কোনো নাবালকৰ অভিভাৱক হবলৈ সক্ষম নহব।

**অভিভাৱকৰ পাৰিশ্ৰমিক।**

২২। (১) ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত কোনো এজন অভিভাৱকক তেওঁৰ কৰ্তব্য নিষ্পাদন কৰা কাৰ্যত অৱলম্বন কৰা সতৰ্কতা আৰু কষ্ট স্বীকাৰৰ বাবে ন্যায়ালয়ে যদি কিবা ভাত্তা পোৱাৰ উপযুক্ত বুলি ভাবে তেনেহলে তেওঁ তেনে ভাত্তা পোৱাৰ বাবে হক্‌দাৰ হ'ব।

(২) যেতিয়া চৰকাৰৰ কোনো এজন পদাধিকাৰী তেনে পদাধিকাৰী হিচাপে অভিভাৱক হবলৈ এনেদৰে নিযুক্ত বা ঘোষিত হয়, তেনে ক্ষেত্ৰত প্ৰতিপাল্যজনৰ সম্পত্তিৰ পৰা চৰকাৰক এনে মাচুল দিব লাগিব যিটো-নেকি ৰাজ্য চৰকাৰে কোনো সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা দিবলৈ নিৰ্দেশ দিয়ে।

**অভিভাৱক ৰূপে থকা সমাহৰ্তাজনৰ ওপৰত নিয়ন্ত্ৰণ।**

২৩। কোনো এজন নাবালকৰ শৰীৰৰ বা সম্পত্তিৰ নাইবা উভয়ৰে অভিভাৱক ৰূপে ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত সমাহৰ্তা এজন তেওঁৰ প্ৰতিপাল্যজনৰ অভিভাৱকত্ব সম্পৰ্কীয় আটাইবোৰ বিষয়তে ৰাজ্য চৰকাৰৰ নিয়ন্ত্ৰণাধীন হ'ব নাইবা ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত দিয়া অধিসূচনাৰ দ্বাৰা এই মৰ্মে নিযুক্ত কৰা প্ৰাধিকাৰীৰ নিয়ন্ত্ৰণাধীন হব।

### শৰীৰৰ অভিভাৱক

**শৰীৰৰ অভিভাৱকৰ কৰ্তব্যসমূহ।**

২৪। প্ৰতিপাল্য এজনৰ শৰীৰৰ অভিভাৱকৰ ওপৰত সেই প্ৰতিপাল্যজনৰ অভিৰক্ষাৰ ভাৰ থাকিব, আৰু তেওঁ প্ৰতিপাল্যজনৰ ভৰণ-পোষণৰ, স্বাস্থ্যৰ আৰু শিক্ষাৰ বিষয়ে আৰু প্ৰতিপাল্যজন যি বিধিৰ অধীন সেই বিধি মতে প্ৰয়োজন হোৱা তেনেকুৱা আন আন বিষয়ে যত্নপৰ হব লাগিব।

**প্ৰতিপাল্যজনৰ অভিৰক্ষাৰ ওপৰত হক্।**

২৫। (১) কোনো এজন প্ৰতিপাল্যই যদি তেওঁৰ শৰীৰৰ অভিভাৱকজনৰ অভিৰক্ষা পৰিত্যাগ কৰে, নাইবা তেওঁক সেই অভিৰক্ষাৰ পৰা অপসাৰিত কৰা হয়, তেতিয়া যদি ন্যায়ালয়ৰ ৰায় মতে প্ৰতিপাল্যজনক

সেই অভিভাৱকজনৰ অভিৰক্ষালৈ ঘূৰাই অনাটো প্ৰতিপাল্যজনৰ কল্যাণৰ বাবে হয়, তেনেহলে ন্যায়ালয়ে প্ৰতিপাল্যজনৰ প্ৰত্যাৱৰ্তনৰ বাবে এটা আদেশ দিব পাৰে, আৰু সেই আদেশ বলবৎ কৰাৰ প্ৰয়োজনাৰ্থে প্ৰতি-পাল্যজনক গ্ৰেপ্তাৰ কৰাই আনি অভিভাৱকজনৰ অভিৰক্ষাত চমজাই দিয়াব পাৰে।

(২) প্ৰতিপাল্যজনক গ্ৰেপ্তাৰ কৰিবৰ প্ৰয়োজনাৰ্থে ন্যায়ালয়ে দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৮৮২ ৰ[১] ধাৰা ১০০ৰ দ্বাৰা কোনো এজন প্ৰথম শ্ৰেণীৰ দণ্ডাধীশক অৰ্পিত ক্ষমতা প্ৰয়োগ কৰিব পাৰে। ১৮৮২ ৰ ১০ নং

(৩) অভিভাৱকজনৰ ইচ্ছাৰ বিৰুদ্ধে এনে কোনো ব্যক্তিৰ লগত যি প্ৰতিপাল্যজনৰ অভিভাৱক নহয়, প্ৰতিপাল্যজন বাস কৰা কাৰ্যই প্ৰতি-পালকত্বৰ অৱসান নঘটায়।

**ক্ষেত্ৰাধিকাৰৰ পৰা প্ৰতিপাল্যজনক অপসাৰণ কৰা।**

২৬। (১) প্ৰতিপাল্যজনৰ শৰীৰৰ বাবে ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত হোৱা অভিভাৱকজন যদি সমাহৰ্তা নহয় নাইবা সেই অভিভাৱক-জন ইচ্ছাপত্ৰৰ বা আন কোনো লেখ্যৰ দ্বাৰা নিযুক্ত হোৱা অভিভাৱক নহয় তেনেহলে যি ন্যায়ালয়ৰ দ্বাৰা তেনেকৈ নিযুক্ত বা ঘোষিত হৈছিল সেই ন্যায়ালয়ৰ বিনা অনুমতিত যথা বিহিত প্ৰয়োজন সমূহৰ ব্যতিৰেকে সেই ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ সীমাৰ পৰা প্ৰতিপাল্যজনক অপসাৰণ কৰিব নোৱাৰিব।

(২) নায়ালয়ে উপধাৰা (১)ৰ অধীনত দিয়া সেই অনুমতিটো বিশেষ অনুমতি হব পাৰে বা সাধাৰণ অনুমতিও হব পাৰে আৰু অনুমতি দিয়া আদেশৰ দ্বাৰা তাক পৰিভাষিত কৰি দিব পাৰে।

## সম্পত্তিৰ অভিভাৱক

**সম্পত্তিৰ অভিভাৱকৰ কৰ্তব্য।**

২৭। কোনো প্ৰতিপাল্যৰ সম্পত্তিৰ অভিভাৱকে সেই সম্পত্তিটো তেওঁৰ নিজা সম্পত্তি হোৱা হলে এজন সাধাৰণ বিজ্ঞতাসম্পন্ন ব্যক্তিয়ে যি সতৰ্ক-তাৰে সৈতে সেই সম্পত্তিটো সম্বন্ধে ব্যৱস্থা অৱলম্বন কৰিলেহেঁতেন, তেনে সতৰ্কতাৰে সেই সম্পত্তিটো সম্বন্ধে ব্যৱস্থা অৱলম্বন কৰিবলৈ বাধ্য, আৰু এই অধ্যায়ৰ উপবন্ধসমূহৰ সাপেক্ষে তেওঁ সেই সম্পত্তিটোৰ আহৰণ, ৰক্ষণা-বেক্ষণ বা লাভৰ বাবে কৰিবলগীয়া আটাইবোৰ যুক্তিসঙ্গত আৰু উচিত কাৰ্য কৰিব পাৰিব।

**ইচ্ছাপত্ৰৰ দ্বাৰা নিযুক্ত হোৱা অভিভাৱকৰ ক্ষমতা।**

২৮। যিক্ষেত্ৰত ইচ্ছাপত্ৰৰ দ্বাৰা বা আন কোনো লেখ্যৰ দ্বাৰা অভিভাৱক এজন নিযুক্ত হয় তেনে ক্ষেত্ৰত তেওঁৰ প্ৰতিপাল্যজনৰ স্থাৱৰ সম্পত্তি বন্ধক দিবৰ, তেনে সম্পত্তি দায়বদ্ধ কৰিবৰ, অথবা বিক্ৰী, দান, বিনিময় বা আন কোনো প্ৰকাৰে হস্তান্তৰিত কৰিবৰ বাবে তেওঁৰ ক্ষমতা তেওঁক নিযুক্তি দিয়া লেখ্যখনৰ দ্বাৰা তেওঁৰ ওপৰত আৰোপিত কৰা নিবন্ধন সাপেক্ষে হব, যদিহে তেওঁক এই অধিনিয়মৰ অধীনত অভিভাৱক ঘোষণা নকৰে আৰু এনেদৰে ঘোষণা কৰা ন্যায়ালয়খনে এনে নিবন্ধন থকা সত্বেও, লিখিত আদেশৰ দ্বাৰা সেই আদেশত বিনিৰ্দিষ্ট কৰা কোনো স্থাৱৰ সম্পত্তি আদেশটোত অনুজ্ঞাত ৰীতিৰে ব্যয়নিত কৰিবলৈ অনুজ্ঞা নিদিয়ে।

**ন্যায়ালয়ৰ দ্বাৰা সম্পত্তিৰ বাবে নিযুক্ত বা ঘোষিত অভিভাৱকৰ পৰিসীমা।**

**২৯। যিক্ষেত্ৰত এজন সমাহৰ্তা বা ইচ্ছাপত্ৰৰ দ্বাৰা বা আন কোনো লেখ্যৰ দ্বাৰা নিযুক্ত অভিভাৱকৰ বাহিৰে আন কোনো ব্যক্তিক ন্যায়ালয়ৰ দ্বাৰা কোনো এজন প্ৰতিপাল্যৰ সম্পত্তিৰ অভিভাৱক নিযুক্ত বা ঘোষিত কৰা হয়, তেনে ক্ষেত্ৰত তেওঁ ন্যায়ালয়ৰ পূৰ্বানুমতি নোলোৱাকৈ, — —**

---

**১। বৰ্তমান দণ্ড প্ৰক্ৰিয়া সংহিতা ১৮৯৮ (১৮৯৮ ৰ ৫ নং) চাওঁক।**

(ক) প্ৰতিপাল্যজনৰ সম্পত্তিৰ কোনো অংশ বন্ধক দিব বা দায়-বদ্ধ কৰিব নাইবা বিক্ৰী, দান, বিনিময় বা আন কোনো প্ৰকাৰে হস্তান্তৰ কৰিব নোৱাৰিব, নাইবা

(খ) সেই সম্পত্তিৰ কোনো অংশ পাঁচ বছৰৰ অধিক কালৰ বাবে নাইবা যি তাৰিখে প্ৰতিপাল্যজনৰ নাবালক অৱস্থাৰ অৱসান হয় সেই তাৰিখ উকলি যোৱাৰ পিচত এবছৰৰ অধিক কোনো কালৰ বাবে সাময়িক পট্টন দিব নোৱাৰিব।

ধাৰা ২৮ বা ধাৰা ২৯ উলংঘন কৰি কৰা হস্তান্তৰ কাৰ্যৰ বাতিলকৰণীয়তা।

৩০। পূৰ্বোক্ত শেষ ধাৰা দুটাৰ যিকোনোটো উলঙ্ঘন কৰি কোনো এজন অভিভাৱকে কৰা স্থাৱৰ সম্পত্তিৰ ব্যয়ন তাৰ দ্বাৰা প্ৰভাৱিত হোৱা আন কোনো ব্যক্তিৰ অনুৰোধত বাতিলকৰণীয় হব।

ধাৰা ২৯ মতে হস্তান্তৰ কৰিবলৈ অনুমতি দিয়া সম্বন্ধে পদ্ধতি।

৩১। (১) আৱশ্যকতা নহলে নাইবা প্ৰতিপাল্যজনৰ প্ৰতি স্পষ্ট ৰূপে সুবিধাৰ বাবে নহলে ২৯ ধাৰাত উল্লেখ থকা কাৰ্যবোৰৰ যিকোনোটো কাৰ্য কৰিবলৈ ন্যায়ালয়ে অভিভাৱকক অনুমতি নিদিব।

(২) সেই অনুমতি দিয়া আদেশে, যথাস্থিতি, আৱশ্যকটো বা সুবিধাটো পৰিবৰ্ণনা কৰি দিব, যিটো সম্পত্তিৰ সম্পৰ্কত অনুমতি দিয়া কাৰ্যটো কৰিব লাগিব সেই সম্পত্তিটোৰ বৰ্ণনা দিব, আৰু ন্যায়ালয়ে সেই আদেশ-টোৰ লগত যিবোৰ চৰ্ত সংযুক্ত কৰি দিয়া উপযুক্ত যেন দেখে, তেনে কিবা থাকিলে, তেনেবোৰ চৰ্ত বিনিৰ্দিষ্ট কৰিব, আৰু ন্যায়ালয়ৰ ন্যায়াধীশজনে সেই আদেশ নিজ হাতেৰে লিপিবদ্ধ কৰি দিনাংকিত আৰু হস্তাক্ষৰিত কৰিব নাইবা কোনো কাৰণে যেতিয়া তেওঁ সেই আদেশটো নিজ হাতেৰে লিপিবদ্ধ কৰিব নোৱাৰা হয়, তেতিয়া তেওঁ কোৱা মতে আদেশটো লিপি-বদ্ধ কৰিব লাগিব আৰু তেওঁৰ দ্বাৰা দিনাংকিত আৰু হস্তাক্ষৰিত হব লাগিব।

(৩) সেই অনুমতি দিয়া আদেশটোত ন্যায়ালয়ে নিজ বিবেচনা মতে আন আন চৰ্তৰ লগতে নিম্নলিখিত চৰ্তসমূহ আৰোপ কৰিব পাৰে যেনেঃ-

(ক) ন্যায়ালয়ৰ মঞ্জুৰী বিনা কোনো বিক্ৰয় সম্পূৰ্ণ কৰা নহব;

(খ) উচ্চ ন্যায়ালয়ৰ দ্বাৰা এই অধিনিয়মৰ অধীনত প্ৰণীত কোনো নিয়মাৱলী সাপেক্ষে ন্যায়ালয়খনে সেই অভিপ্ৰেত বিক্ৰয়ৰ বিষয়ে জাৰি কৰিবলৈ নিৰ্দেশ দিয়া তেনে উদ্‌ঘোষণা জাৰি কৰাৰ পিচত, ন্যায়ালয়ৰ সন্মুখত নাইবা সেই বিক্ৰীটোৰ উদ্দেশ্যে ন্যায়ালয়ৰ দ্বাৰা বিশেষৰূপে নিযুক্ত কোনো ব্যক্তিৰ সন্মুখত, ন্যায়ালয়ে বিনিৰ্দিষ্ট কৰি দিয়া তেনে কোনো সময়ত আৰু স্থানত প্ৰকাশ্য নিলামৰ দ্বাৰা সৰ্বোচ্চ ডাক দিওঁতা জনক সম্পত্তিটো বিক্ৰী কৰা হব ;

(গ) কোনো প্ৰিমিয়ামৰ বিবেচনাত কোনো অস্থায়ী পট্টন নিদিব, অথবা ন্যায়ালয়ে যিমান বছৰৰ অৱধিৰ বাবে আৰু যেনে খাজনাৰ বন্দোৱস্তে আৰু যেনেবোৰ প্ৰসংবিদাৰ অধীনত অস্থায়ী পট্টন দিবলৈ নিৰ্দেশ দিয়ে তেনেদৰে অস্থায়ী পট্টন দিব ;

(ঘ) ন্যায়ালয়ে অনুমতি দিয়া কাৰ্যটোৰ ফলত হোৱা আগমৰ আটাইখিনি ধন বা তাৰ যিকোনো অংশ সংবিতৰণ কৰিবৰ বাবে বা বিহিত প্ৰতিভূতিত ন্যায়ালয়ৰ দ্বাৰা বিনিয়োগ কৰিবৰ বাবে নাইবা ন্যায়ালয়ৰ নিৰ্দেশ মতে অন্যথা ব্যয়নিত কৰিবৰ বাবে অভিভাৱকৰ দ্বাৰা ন্যায়ালয়ক জমা দিব লাগিব।

(গ) যদি ন্যায়ালয়ৰ দ্বাৰা তেনেদৰে অপেক্ষিত হয়, তেনেহলে ন্যায়ালয়ে সময়ে সময়ে নিৰ্দেশিত কৰি দিয়া তেনে কোনো কোনো সময়ত বা তেনে কোনো প্ৰপত্ৰত তেওঁৰ হিচাপ-পত্ৰ ন্যায়ালয়ত প্ৰদৰ্শিত কৰিব ;

(ঘ) যদি ন্যায়ালয়ৰ দ্বাৰা তেনেদৰে অপেক্ষিত হয়, তেনেহলে ন্যায়ালয়ৰ দ্বাৰা নিৰ্দেশিত তেনে কোনো সময়ত সেই হিচাপ অনুসাৰে তেওঁ শোধ কৰিবলগীয়া ধনৰ কোনো উদ্বৃত্ত জমা থাকিলে সেই ধনখিনি বা সেই ধনৰ যিকোনো পৰিমাণ, ন্যায়ালয়ে যেনেদৰে নিৰ্দেশ দিয়ে তেনেদৰে ন্যায়ালয়ত জমা কৰিব; আৰু

(ঙ) প্ৰতিপাল্যজনৰ আৰু তেওঁৰ ওপৰত আশ্ৰিত আন ব্যক্তিসকলৰ ভৰণ-পোষণ, শিক্ষা আৰু উৎকৰ্ষৰ বাবে ব্যয় কৰিবলগীয়া আৰু প্ৰতিপাল্যজন নাইবা তেনে ব্যক্তিসকলৰ কোনোজন পক্ষভুক্ত হোৱা সংস্কাৰ অনুষ্ঠানবোৰৰ বাবে ব্যয় কৰিবলৈ প্ৰতিপাল্যজনৰ সম্পত্তিৰ আয়ৰ পৰা ন্যায়ালয়ে সময়ে সময়ে নিৰ্দিষ্ট কৰি দিয়া তেনে কোনো অংশ পাবলৈ আৰু ন্যায়ালয়ে তেনে নিৰ্দেশ দিলে সেই গোটেই সম্পত্তিটো বা সেইটোৰ যিকোনো অংশ পাবলৈ অভিভাৱকজনে আবেদন কৰিব।

**হিচাপ পৰীক্ষাৰ নিমিত্তে পাৰিশ্ৰমিক দিয়াৰ ক্ষমতা।**

[1][৩৪ ক। যেতিয়া ধাৰা ৩৪ৰ খণ্ড (গ) মতে দিয়া অধিযাচন অনুসাৰে নাইবা আন প্ৰকাৰে কোনো এজন অভিভাৱকৰ দ্বাৰা প্ৰতিপাল্য জনৰ সম্পত্তিটোৰ হিচাপ-পত্ৰবোৰ প্ৰদৰ্শন কৰোৱা হয়, তেতিয়া ন্যায়ালয়ে সেই হিচাপ-পত্ৰবোৰ পৰীক্ষা কৰাৰ নিমিত্তে কোনো এজন ব্যক্তিক লেখা পৰীক্ষক নিযুক্ত কৰিব পাৰে, আৰু সেই কাৰ্যটো কৰাৰ বাবে সম্পত্তিটোৰ আয়ৰ পৰা তেওঁৰ পাৰিশ্ৰমিক দিব লাগিব বুলি নিৰ্দেশ দিব পাৰে। ]

**যি ক্ষেত্ৰত প্ৰশাসন বন্ধপত্ৰ লোৱা হৈছিল তেনে ক্ষেত্ৰত অভিভাৱকৰ বিৰুদ্ধে বাদ।**

৩৫। যি ক্ষেত্ৰত ন্যায়ালয়ে নিযুক্ত বা ঘোষিত কৰা কোনো এজন অভিভাৱকে তেওঁৰ প্ৰতিপাল্যজনৰ সম্পত্তিটোৰ পৰা যি প্ৰাপ্ত কৰে তাৰ সম্যকৰূপে হিচাপ দিবলৈ বন্ধপত্ৰ দিয়ে, তেনেক্ষেত্ৰত ন্যায়ালয়ে আৰ্জিৰ দ্বাৰা কৰা আবেদনৰ ওপৰত আৰু বন্ধপত্ৰখনৰ চুক্তি পালন কৰা হোৱা নাই বুলি ন্যায়ালয়ে সন্তুষ্ট হলে, আৰু প্ৰতিভূতিৰ সম্বন্ধত এনে নিবন্ধন আৰোপ কৰি অথবা প্ৰাপ্ত কৰা যিকোনো ধন ন্যায়ালয়ত জমা দিবলৈ উপবন্ধ কৰি অথবা ন্যায়ালয়ে যেনে উচিত বুলি ভাবে তেনে আন কোনো প্ৰকাৰে সেই বন্ধপত্ৰখন কোনো উচিত ব্যক্তিক হস্তান্তৰিত কৰিব পাৰে, আৰু সেইজন ব্যক্তি সেই বন্ধপত্ৰখনৰ আধাৰত স্বয়ং নিজৰ নামেৰে মোকৰ্দমা কৰিবলৈ হকদাৰ হয়, যেন বন্ধপত্ৰখন ন্যায়ালয়ৰ ন্যায়াধীশজনৰ পৰিৱৰ্তে প্ৰথমতেই তেওঁকেই দিয়া হৈছিল, আৰু প্ৰতিপাল্যজনৰ ন্যাসৰক্ষী হিচাপে সেই বন্ধপত্ৰখনৰ কোনো চৰ্ত ভংগ কৰাৰ সম্বন্ধত উচল কৰিবলৈ তেওঁ হক্‌দাৰ হব।

**যি ক্ষেত্ৰত প্ৰশাসন বন্ধপত্ৰ লোৱা হোৱা নাছিল তেনে ক্ষেত্ৰত অভিভাৱকৰ বিৰুদ্ধে বাদ।**

৩৬। (১) যিক্ষেত্ৰত ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত কোনো এজন অভিভাৱকে, উপৰোক্ত বন্ধপত্ৰ সম্পাদন কৰি দিয়া নাই, তেনে ক্ষেত্ৰত ন্যায়ালয়ৰ সন্মতিক্ৰমে যিকোনো ব্যক্তিয়ে বাদ-মিত্ৰ হিচাপে প্ৰতিপাল্যজনৰ নাবালকত্ব চলি থকা কালছোৱাত আৰু যথা উপৰোক্ত চৰ্তাৱলীত অভিভাৱকজনৰ বিৰুদ্ধে নাইবা তেওঁৰ মৃত্যু হোৱা ক্ষেত্ৰত তেওঁৰ প্ৰতিনিধিজনৰ বিৰুদ্ধে প্ৰতিপাল্যজনৰ সম্পত্তিটোৰ সম্বন্ধত অভিভাৱকজনৰ প্ৰাপ্তিৰ হিচাপ দিবৰ নিমিত্তে মোকৰ্দমা ৰুজু কৰিব পাৰে, আৰু প্ৰতিপাল্যজনৰ ন্যাসৰক্ষী হিচাপে সেই মোকৰ্দমাটোত ক্ষেত্ৰ বিশেষে অভিভাৱকজনে বা তেওঁৰ প্ৰতিনিধিজনে প্ৰতিপাল্যজনক যি পৰিমাণৰ ধন শোধাবলগীয়া বুলি প্ৰতিপন্ন হয়, সেই পৰিমানৰ ধন উচল কৰিব পাৰে।

---

১। ১৯২৯ চনৰ ১৭ নং অধিনিয়মৰ ২ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত।

(২) যি পর্যন্ত উপধাৰা (১)ৰ উপবন্ধ সমূহ অভিভাৱকৰ বিৰুদ্ধে অন্য বাদ সম্বন্ধিত হয়, সেই পর্যন্ত সেই উপবন্ধ ক'ড অফ চিভিল প্রচিডীয়াৰ, ১৮৮২ৰ এই অধিনিয়মৰ[১] দ্বাৰা যথা সংশোধিত ধাৰা ৪৪০ৰ উপবন্ধসমূহৰ সাপেক্ষে হ'ব। ১৮৮২ৰ ১৪ নং

ন্যাসী হিচাপে অভিভাৱকৰ সাধাৰণ দায়িত্ব।

৩৭। যি প্রতিকাৰ আন কোনো এজন হিতাধিকাৰীয়ে বা তেওঁৰ প্রতিনিধিজনে তেওঁৰ ন্যাসী এজনৰ বা ন্যাসীৰ প্রতিনিধি এজনৰ বিৰুদ্ধে পালেহেতেন, উপৰোক্ত শেষ ধাৰা দুটাৰ কোনোটোত সেই বিষয়ে অভিব্যক্ত ৰূপে একো নাথাকিলে তেনে কোনো প্রতিকাৰ, কোনো এজন প্রতিপাল্যই বা তেওঁৰ প্রতিনিধিজনে তেওঁৰ অভিভাৱকজনৰ বা অভিভাৱকৰ প্রতিনিধিজনৰ বিৰুদ্ধে পোৱাৰ পৰা তেওঁক বঞ্চিত কৰা বুলি পূর্বগামী অন্তিম ধাৰা দুটাৰ যিকোনোটোত থকা কোনো কথাৰ অর্থ কৰা নহব।

## অভিভাৱকত্বৰ অৱসান

যুটীয়া অভিভাৱক সকলৰ মাজত উত্তৰ জীৱিতাধিকাৰ।

৩৮। ন্যায়ালয়ৰ দ্বাৰা অতিৰিক্ত নিযুক্তি নিদিয়ালৈকে দুজন বা ততোধিক যুটীয়া অভিভাৱকৰ এজনৰ মৃত্যু হলে অভিভাৱকত্বটো উত্তৰজীৱী অভিভাৱকজনলৈ বা অভিভাৱক সকললৈ চলিয়েই থাকিব।

অভিভাৱকৰ অপসাৰণ।

৩৯। স্বার্থ সংশ্লিষ্ট কোনো ব্যক্তিৰ আবেদনত নাইবা ন্যায়ালয়ে স্বপ্রণোদিত ভাৱে ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত হোৱা কোনো এজন অভিভাৱকক নাইবা ইচ্ছাপত্র বা আন কোনো লেখ্যৰ দ্বাৰা নিযুক্ত হোৱা কোনো এজন অভিভাৱকক তলত লিখা যিকোনো এটা কাৰণত অপসাৰণ কৰিব পাৰে :—

(ক) তেওঁৰ ন্যাসটোৰ অপব্যৱহাৰ কৰাৰ কাৰণে;

(খ) তেওঁৰ ন্যাসটোৰ কর্তব্যবোৰ পালন কৰাত একেৰাহে অকৃতকার্য হোৱাৰ কাৰণে;

(গ) ন্যাসটোৰ কর্তব্যবোৰ পালন কৰাত তেওঁৰ অক্ষমতাৰ কাৰণে;

(ঘ) তেওঁৰ প্রতিপাল্যজনক দুর্ব্যৱহাৰ কৰাৰ কাৰণে নাইবা প্রতিপাল্যজনৰ যথোচিত যত্ন লোৱাত অৱহেলা কৰাৰ কাৰণে;

(ঙ) এই অধিনিয়মখনৰ কোনো এটা উপবন্ধৰ নাইবা ন্যায়ালয়ৰ কোনো আদেশৰ অবাধ্যতামূলক অৱজ্ঞাৰ কাৰণে;

(চ) এনে অপৰাধৰ বাবে দোষী সাব্যস্তকৰণৰ কাৰণে যিটোত ন্যায়ালয়ৰ ৰায়মতে, তেওঁৰ চৰিত্রৰ এনে ত্রুটি বিব্যক্ষিত হয় যি ত্রুটিয়ে তেওঁক প্রতিপাল্যজনৰ অভিভাৱক হবলৈ অযোগ্য কৰে;

(ছ) তেওঁ তেওঁৰ কর্তব্যবোৰ বিশ্বস্ততাৰে সৈতে পালন কৰাত প্রতিকূল স্বার্থজড়িত থকাৰ কাৰণে;

(জ) ন্যায়ালয়ৰ ক্ষেত্রাধিকাৰৰ স্থানীয় সীমাৰ ভিতৰত বাস নকৰা হোৱাৰ কাৰণে;

(ঝ) সম্পত্তিৰ অভিভাৱক এজনৰ ক্ষেত্রত, তেওঁৰ শোধঅক্ষমতাৰ বা দেৱলীয়া অৱস্থাৰ কাৰণে;

(ঞ) নাবালকজন যি বিধিৰ অধ্যধীন হয় সেই বিধিৰ অধীনত অভিভাৱকজনৰ অভিভাৱকত্বৰ অৱসান ঘটাৰ কাৰণে অথবা অৱসান ঘটিবলগীয়া হোৱাৰ কাৰণে;

১। বর্তমান চিভিল প্রক্রিয়া সংহিতা, ১৯০৮ (১৯০৮ৰ অধিনিয়ম৫)ৰ আদেশ ৩২, নিয়ম ১ আৰু ৪ (২) দ্রষ্টব্য।

পৰন্তু, ইচ্ছাপত্ৰৰ দ্বাৰা নাইবা আন কোনো লেখ্যৰ দ্বাৰা নিযুক্ত হোৱা কোনো এজন অভিভাৱকক, লাগিলে এই অধিনিয়মৰ অধীনত তেওঁক ঘোষিত কৰা হওক বা নহওক, নিম্নলিখিত কাৰণত অপসাৰিত কৰা নহব ঃ—

(ক) যদিহে যিজন ব্যক্তিয়ে অভিভাৱকজনক নিযুক্তি দিছিল, সেই ব্যক্তিজনৰ মৃত্যুৰ পিচত সেই প্ৰতিকূল স্বাৰ্থটো প্ৰোদ্ভূত নহয়, নাইবা সেই ব্যক্তিজনে প্ৰতিকূল স্বাৰ্থটো থকা বুলি নজনাকৈয়েই নিযুক্তিটো দি সেই নিযুক্তি ৰাখি থকা বুলি দেখুওৱা নহয় তেতিয়া খণ্ড (ছ)ত উল্লিখিত কাৰণত, নাইবা,

(খ) যদিহে তেনেকুৱা অভিভাৱক এজনে এনে কোনো ঠাইত বাস কৰিবলৈ লোৱা নাই, যি ঠাইৰ পৰা ন্যায়ালয়ৰ ৰায় মতে, অভিভাৱকৰ কৰ্তব্যসমূহ নিৰ্বহন কৰিবলৈ তেওঁৰ পক্ষে দুঃসাধ্য হয় তেনেহলে খণ্ড (জ)ত উল্লিখিত কাৰণত।

অভিভাৱকৰ বিমুক্তি।

৪০। (১) ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত কোনো অভিভাৱকে যদি পদত্যাগ কৰিবলৈ ইচ্ছা কৰে তেনেহলে তেওঁ তেওঁৰ পদৰ পৰা বিমুক্তি পাবলৈ ন্যায়ালয়ত আবেদন কৰিব পাৰে।

(২) যদি ন্যায়ালয়ে দেখে যে সেই আবেদনৰ পক্ষে যথেষ্ট কাৰণ আছে, তেনেহলে ন্যায়ালয়ে তেওঁক বিমুক্তি দিব, আৰু যদি সেই আবেদন কৰা ব্যক্তিজন সমাৰ্হতা হয়, আৰু তেওঁ বিমুক্তি পাবলৈ কৰা আবেদন ৰাজ্য চৰকাৰে অনুমোদন কৰে তেনেহলে যিকোনো ক্ষেত্ৰতে ন্যায়ালয়ে তেওঁক বিমুক্ত কৰিব।

অভিভাৱকৰ প্ৰাধিকাৰ অন্ত হোৱা।

৪১। (১) শৰীৰৰ অভিভাৱক এজনৰ ক্ষমতাবোৰৰ—

(ক) তেওঁৰ মৃত্যুৰ, অপসাৰণৰ নাইবা বিমুক্তিৰ দ্বাৰা ;

(খ) প্ৰতিপাল্যজনৰ শৰীৰৰ অধীক্ষণ প্ৰতিপাল্য অধিকৰণে গ্ৰহণ কৰাৰ দ্বাৰা ;

(গ) প্ৰতিপাল্যজন নাবালককৈ থকা অৱস্থাটোৰ অন্ত হোৱাৰ দ্বাৰা;

(ঘ) প্ৰতিপাল্য নাৰী হলে তেনে ক্ষেত্ৰত, তেওঁৰ শৰীৰৰ অভিভাৱক হবলৈ অযোগ্য নোহোৱা কোনো এজন স্বামীৰ লগত তেওঁৰ বিবাহৰ দ্বাৰা নাইবা যদি ন্যায়ালয়ৰ দ্বাৰা অভিভাৱকজন নিযুক্ত বা ঘোষিত হৈছিল, তেনেহলে ন্যায়ালয়ৰ ৰায়মতে এনেদৰে অযোগ্য নোহোৱা এজন স্বামীৰ লগত তেওঁৰ বিবাহৰ দ্বাৰা ; অথবা

(ঙ) এনে কোনো প্ৰতিপাল্যৰ ক্ষেত্ৰত, যাৰ পিতৃ তেওঁৰ শৰীৰৰ অভিভাৱক হবলৈ অযোগ্য আছিল, সেই পিতৃ তেনে অযোগ্যতাৰ বাবে তেওঁ অভিভাৱক নোহোৱা হোৱাৰ দ্বাৰা, নাইবা যদি ন্যায়ালয়ৰ দ্বাৰা পিতৃজনক তেনে অযোগ্য বুলি গণ্য কৰা হৈছিল তেনেহলে ন্যায়ালয়ৰ ৰায়মতে তেওঁ সেইদৰে অভিভাৱক নোহোৱা হোৱাৰ দ্বাৰা, অন্ত হয়।

(২) সম্পত্তিৰ অভিভাৱক এজনৰ ক্ষমতাবোৰৰ —

(ক) তেওঁৰ মৃত্যুৰ, অপসাৰণৰ নাইবা বিমুক্তিৰ দ্বাৰা ;

(খ) প্ৰতিপাল্যজনৰ সম্পত্তিৰ অধীক্ষণ প্ৰতিপাল্য অধিকৰণে গ্ৰহণ কৰাৰ দ্বাৰা,

(গ) প্ৰতিপাল্যজন নাবালককৈ থকা অৱস্থাটোৰ অন্ত হোৱাৰ দ্বাৰা,

অন্ত হয়।

(৩) যেতিয়া কোনো কাৰণবশতঃ কোনো এজন অভিভাৱকৰ ক্ষমতা-বোৰৰ অন্ত হয়, তেতিয়া ন্যায়ালয়ে তেওঁক নাইবা তেওঁৰ যদি মৃত্যু হয়, তেওঁৰ প্ৰতিনিধি জনক তেওঁৰ দখলত বা নিয়ন্ত্ৰণাধীনত থকা প্ৰতিপাল্য-জনৰ যিকোনো সম্পত্তি নাইবা প্ৰতিপাল্যজনৰ অতীত বা বৰ্তমান কালৰ সম্পত্তি সম্বন্ধে যি হিচাপ-পত্ৰবোৰ, ন্যায়ালয়ে নিৰ্দেশ দিয়া মতে ন্যায়ালয়ত পৰিদান কৰিবলৈ অপেক্ষা কৰিব পাৰে।

(৪) ন্যায়ালয়ৰ নিৰ্দেশমতে তেওঁ সম্পত্তিটো বা হিচাপ-পত্ৰবোৰ ন্যায়ালয়ত পৰিদান কৰাৰ পাচত ন্যায়ালয়ে পৰবৰ্তী কোনো সময়ত ধৰা পৰা কোনো প্ৰতাৰণা ব্যতিৰেকে তেওঁক তেওঁৰ দায়িত্ববোৰৰ পৰা বিমুক্ত হোৱা বুলি ঘোষণা কৰিব পাৰে।

মৃত, বিমুক্ত বা অপসাৰিত অভিভাৱকৰ উত্তৰবৰ্তী নিযুক্তি।

৪২। ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত কোনো এজন অভিভাৱকক যেতিয়া বিমুক্তি দিয়া হয় নাইবা প্ৰতিপাল্যজন যি বিধিৰ অধীন সেই বিধিৰ অধীনত যেতিয়া তেওঁৰ অভিভাৱক ৰূপে কাম কৰা অধিকাৰ নোহোৱা হয়, নাইবা যেতিয়া তেনে কোনো অভিভাৱকক বা ইচ্ছাপত্ৰৰ দ্বাৰা বা আন কোনো লেখ্যৰ দ্বাৰা নিযুক্ত অভিভাৱক এজনক অপসাৰিত কৰা হয় নাইবা তেওঁৰ মৃত্যু ঘটে, তেতিয়া ন্যায়ালয়ে স্বপ্ৰণোদিত ভাৱে নাইবা এই অধিনিয়মৰ দ্বিতীয় অধ্যায় মতে কৰা আবেদন পত্ৰ অনুসাৰে, প্ৰতিপাল্যজন তেতিয়াও নাবালক হৈ থাকিলে ক্ষেত্ৰবিশেষে তেওঁৰ শৰীৰৰ বা সম্পত্তিৰ বা উভয়ৰেই, আন এজন অভিভাৱক নিযুক্ত কৰিব বা ঘোষণা কৰিব পাৰে।

## চতুৰ্থ অধ্যায়

### অনুপূৰক উপবন্ধ সমূহ

**অভিভাৱকসকলৰ আচৰণ বা কাৰ্যবাহী-বোৰ বিনিয়মন কৰাৰ বাবে আদেশ আৰু সেই আদেশ বলবৎকৰণ।**

৪৩। (১) স্বাৰ্থ সংশ্লিষ্ট কোনো ব্যক্তিৰ আবেদনক্ৰমে নাইবা ন্যায়ালয়ে স্বপ্ৰণোদিত ভাৱে ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত কোনো এজন অভিভাৱকৰ আচৰণ বা কাৰ্যবাহীবোৰ বিনিয়মন কৰিবৰ বাবে আদেশ দিব পাৰে।

(২) যি ক্ষেত্ৰত কোনো এজন প্ৰতিপাল্যৰ এজনতকৈ অধিক অভিভাৱক থাকে আৰু তেওঁলোকে প্ৰতিপাল্যজনৰ কল্যাণৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা কোনো প্ৰশ্ন সম্বন্ধে একমত হবলৈ অসমৰ্থ হয়, তেনে ক্ষেত্ৰত তেওঁলোকৰ মাজৰ যিকোনো এজনে নিৰ্দেশৰ বাবে ন্যায়ালয়ৰ ওচৰত আবেদন কৰিব পাৰে, আৰু ন্যায়ালয়ে মতানৈক্যটো সম্বন্ধে যেনে আদেশ দিয়া উপযুক্ত বুলি ভাবে তেনে আদেশ দিব পাৰে।

(৩) যি ক্ষেত্ৰত এনেকুৱা প্ৰতীত হয় যে পলম কৰিলে উপধাৰা (১) বা উপধাৰা (২)ৰ অধীনত দিয়া হোৱা আদেশৰ উদ্দেশ্যটোৱেই ব্যৰ্থ হব তেনে ক্ষেত্ৰত ব্যতিৰেকে আন ক্ষেত্ৰত ন্যায়ালয়ে আদেশ দিয়াৰ আগতে, যথাস্থিতি, তেনে আদেশৰ বাবে দিয়া আবেদনৰ বা তেনে আদেশ দিবলৈ ন্যায়ালয়ৰ ইচ্ছাৰ সূচনা উপধাৰা (১)ৰ ক্ষেত্ৰত অভিভাৱকজনক আৰু উপধাৰা (২)ৰ ক্ষেত্ৰত যিজন অভিভাৱকে সেইখন আবেদনপত্ৰ দিয়া নাই তেওঁক দিবলৈ নিৰ্দেশ দিব লাগিব।

(৪) উপধাৰা (১) বা উপধাৰা (২)ৰ অধীনত দিয়া কোনো আদেশ অমান্য কৰাৰ ক্ষেত্ৰত ক'ড অফ চিভিল প্ৰচিডীয়াৰ ১৮৮২ৰ[১] ধাৰা ৪৯২ বা ধাৰা ৪৯৩ৰ অধীনত দিয়া নিষেধাজ্ঞা এটা যি প্ৰকাৰে বলবৎ কৰা হয় সেই একেই প্ৰকাৰে বলবৎ হব। উপধাৰা (১)ৰ অধীনত দিয়া আদেশৰ ক্ষেত্ৰত প্ৰতিপাল্যজনক বাদী আৰু অভিভাৱকজনক প্ৰতিবাদী নাইবা উপধাৰা (২)ৰ অধীনত দিয়া আদেশৰ ক্ষেত্ৰত আবেদনকাৰী অভিভাৱকজনক বাদী আৰু আনজন অভিভাৱকক প্ৰতিবাদী বুলি মানি লৈ সেই আদেশটো বলবৎ কৰিব।

(৫) এই ধাৰাত থকা কোনো কথাই উপধাৰা (২)ৰ অধীনত হোৱা কোনো এটা অৱস্থা ব্যতিৰেকে আন অৱস্থাতে এনে কোনো এজন সমাহৰ্তাৰ ক্ষেত্ৰত প্ৰয়োগ নহব যি এজন সমাহৰ্তা হোৱাৰ বাবেই অভিভাৱক নিযুক্ত হৈছে।

ক্ষেত্ৰাধিকাৰৰ পৰা প্ৰতিপাল্যক অপসাৰণ কৰাৰ বাবে দণ্ড।

৪৪। প্ৰতিপাল্য এজনৰ সম্বন্ধে ন্যায়ালয়ৰ প্ৰাধিকাৰ প্ৰয়োগ নিবাৰণ কৰিবৰ উদ্দেশ্যে নাইবা নিবাৰণ কৰি, যদি ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত হোৱা কোনো এজন অভিভাৱকে ২৬ ধাৰাৰ উপবন্ধবোৰ উলংঘা কৰি প্ৰতিপাল্যজনক ন্যায়ালয়খনৰ ক্ষেত্ৰাধিকাৰৰ সীমাৰ পৰা অপসাৰণ কৰে, তেন্তে তেওঁ ন্যায়ালয়ৰ আদেশ মতে অনধিক এহেজাৰ টকাৰ অৰ্থ দণ্ডৰে নাইবা ছমাহ পৰ্যন্ত হব পৰা চিভিল কাৰাগাৰত কাৰাবাসৰে দণ্ডনীয় হব।

অবাধ্যতাচৰণ কৰাৰ বাবে দণ্ড।

৪৫। (১) নিম্নোক্ত ক্ষেত্ৰ সমূহত, যথা :—

(ক) নাবালক এজনৰ অভিৰক্ষা দিয়া হোৱা কোনো এজন ব্যক্তিয়ে যদি ১২ ধাৰাৰ (১) উপধাৰা মতে দিয়া কোনো এটা নিৰ্দেশ অনুপালন কৰি নাবালকজনক ন্যায়ালয়ত হাজিৰ কৰিবলৈ বা কৰাবলৈ অপাৰগ হয়, নাইবা তেওঁ যদি ২৫ ধাৰাৰ (১) উপধাৰা মতে দিয়া কোনো এটা আদেশ মান্য কৰি নাবালকজনক অভিভাৱকজনৰ অভিৰক্ষালৈ উভতি আহিবলৈ বাধ্য কৰাবৰ বাবে যথাসাধ্য চেষ্টা নকৰাকৈ থাকে, তেনে অৱস্থাত; নাইবা

(খ) ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত কোনো এজন অভিভাৱকে যদি ৩৪ ধাৰাৰ (খ) খণ্ডৰ দ্বাৰা বা অধীনত দিয়া হোৱা সময়ৰ ভিতৰত সেই খণ্ডৰ অধীনত প্ৰয়োজন হোৱা বিৱৰণ এটা ন্যায়ালয়ত দাখিল কৰিব নোৱাৰে, নাইবা সেই ধাৰাটোৰ (গ) খণ্ড মতে দিয়া অধিযাচন অনুপালন কৰি হিচাপ-পত্ৰবোৰ প্ৰদৰ্শন কৰিব নোৱাৰে নাইবা সেই ধাৰাটোৰ (ঘ) খণ্ড মতে দিয়া অধিযাচন অনুপালন কৰি সেই হিচাপ-পত্ৰবোৰৰ ওপৰত তেওঁৰ পৰা পাবলগীয়া উদ্বৃত্ত ধনখিনি ন্যায়ালয়ত শোধাই দিব নোৱাৰে, তেনে অৱস্থাত; নাইবা

(গ) অভিভাৱক নোহোৱা হৈ পৰা কোনো ব্যক্তিয়ে বা তেনে ব্যক্তিৰ প্ৰতিনিধিয়ে যদি ৪১ ধাৰাৰ (৩) উপধাৰা মতে দিয়া অধিযাচন অনুপালন কৰি কোনো সম্পত্তি বা হিচাপ-পত্ৰ পৰিদান কৰিব নোৱাৰে, তেনে অৱস্থাত

ক্ষেত্ৰবিশেষে, সেই ব্যক্তিজন বা সেই অভিভাৱকজন নাইবা সেই প্ৰতিনিধিজন, ন্যায়ালয়ৰ আদেশ মতে এশ টকাৰ অনধিক অৰ্থ দণ্ডৰে দণ্ডনীয় হব, আৰু সেই অবাধ্যতা চলি থকাৰ ক্ষেত্ৰত প্ৰথম দিনৰ পিচৰ পৰাই যিমান দিনলৈ সেই অপৰাধ চলি থাকিব সিমান দিনলৈকে দিনে অনধিক দহ টকাকৈ মুঠ পাঁচশ টকাৰ অনধিক অতিৰিক্ত অৰ্থ দণ্ডৰে দণ্ডনীয় হব আৰু যেতিয়ালৈকে তেওঁ

১। বৰ্তমান চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ (১৯০৮ চনৰ অধিনিয়ম নং ৫) প্ৰথম অনুসূচীত থকা আদেশ ৩৯, নিয়ম ১ আৰু ২ চাওঁক।

ক্ষেত্ৰবিশেষে নাবালকজনক হাজিৰ কৰিবলৈ বা কৰাবলৈ নাইবা নাবালকজনক উভতি আহিবৰ বাবে বাধ্য কৰিবলৈ বা বিৱৰণ দাখিল কৰিবলৈ বা হিচাপ-পত্ৰবোৰ প্ৰদৰ্শন কৰিবলৈ বা উদ্বৃত্ত ধন শোধাই দিবলৈ নাইবা সম্পত্তিটো বা হিচাপ-পত্ৰ খিনি অৰ্পণ কৰিবলৈ বচনবদ্ধ নহয় তেতিয়ালৈকে তেওঁ চিভিল কাৰাগাৰত আটক হৈ থাকিবৰ বাবে দায়িত্বাধীন হব।

(২) যদি (১) উপধাৰাৰ অধীনত বচনবদ্ধ হোৱাৰ বাবে তেনেকৈ আটকহৈ থকাৰ পৰা মুক্তি পোৱা কোনো এজন ব্যক্তিয়ে, ন্যায়ালয়ে অনুজ্ঞাত কৰা সময়ৰ ভিতৰত সেই মতে কাৰ্য সম্পাদন কৰিব নোৱাৰে তেন্তে ন্যায়ালয়ে তেওঁক গ্ৰেপ্তাৰ কৰি অনাই পুনৰ চিভিল কাৰাগাৰলৈ প্ৰেৰণ কৰিব পাৰে।

সমাহৰ্তাসকলৰ দ্বাৰা আৰু অধীনস্থ ন্যায়ালয় সমূহৰ দ্বাৰা প্ৰতিবেদন।

৪৬। (১) ন্যায়ালয়ে সমাহৰ্তাজনৰ পৰা নাইবা নিজৰ অধীনস্থ অন্য কোনো ন্যায়ালয়ৰ পৰা এই অধিনিয়মৰ অধীনত হোৱা কোনো কাৰ্য-বাহীত উদ্ভৱ হোৱা কোনো বিষয় সম্পৰ্কে প্ৰতিবেদন বিচাৰিব পাৰে, আৰু সেই প্ৰতিবেদনখনক সাক্ষ্য হিচাপে বিবেচনা কৰিব পাৰে।

(২) প্ৰতিবেদনখন প্ৰস্তুত কৰণৰ প্ৰয়োজনৰ বাবে ক্ষেত্ৰবিশেষে সমাহৰ্তাজনে নাইবা অধীনস্থ ন্যায়ালয়ৰ ন্যায়াধীশজনে, যেনে ৰূপ আৱশ্যক হোৱা বুলি বিবেচনা কৰে, তেনেৰূপ তদন্ত কৰিব আৰু সেই তদন্তটোৰ প্ৰয়োজনসমূহৰ বাবে সাক্ষী এজনক সাক্ষ্য দিবৰ বাবে বা কোনো এখন দলিল দাখিল কৰিবৰ বাবে হাজিৰ হবলৈ বাধ্য কৰাবৰ কাৰণে ক'ড অফ্ চিভিল প্ৰচিডীয়াৰ, ১৮৮২ৰ [1] দ্বাৰা কোনো ন্যায়ালয়ক অৰ্পণ কৰা ক্ষমতাবোৰৰ যিকোনো ক্ষমতা প্ৰয়োগ কৰিব পাৰে।

আপীলযোগ্য আদেশবোৰ।

৪৭। এনে আদেশৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত আপীল হব যি আদেশ [2] XX ন্যায়ালয়ে —

(ক) ধাৰা ৭ৰ অধীনত কোনো এজন অভিভাৱক নিযুক্ত কৰি বা ঘোষণা কৰি অথবা নিযুক্ত বা ঘোষিত কৰিবলৈ অস্বীকাৰ কৰি দিয়ে; অথবা

(খ) ধাৰা ৯ৰ উপধাৰা (৩)ৰ অধীনত কোনো এখন আবেদন ঘূৰাই দিবলৈ দিয়ে; অথবা

(গ) ধাৰা ২৫ৰ অধীনত কোনো এজন প্ৰতিপাল্যক তেওঁৰ অভিভাৱকৰ অভিৰক্ষালৈ উভতি আহিবলৈ আদেশ দি বা আদেশ দিবলৈ অস্বীকাৰ কৰি দিয়ে; অথবা

(ঘ) ধাৰা ২৬ৰ অধীনত ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ সীমাৰ পৰা কোনো এজন প্ৰতিপাল্যক অপসাৰণ কৰিবৰ নিমিত্তে অনুমতি দিবলৈ অস্বীকাৰ কৰি বা সেই সম্বন্ধত চৰ্ত আৰোপ কৰি দিয়ে; অথবা

(ঙ) ধাৰা ২৮ বা ধাৰা ২৯ৰ অধীনত, সেই ধাৰাটোত উল্লেখ থকা কোনো কাৰ্য কৰিবৰ বাবে কোনো এজন অভিভাৱকক অনুমতি দিবলৈ অস্বীকাৰ কৰি দিয়ে; অথবা

---

১। বৰ্তমান চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ (১৯০৮ৰ অধিনিয়ম নং৫) চাওঁক।

২। ১৯২৬ চনৰ ৪ নং অধিনিয়মৰ ৪ ধাৰামতে 'জিলা' শব্দটো নিৰাসিত কৰা হৈছে।

(চ) ধাৰা ৩২ৰ অধীনত কোনো এজন অভিভাৱকৰ ক্ষমতাবোৰ পৰিভাষিত, নিৰ্বন্ধিত বা বিস্তাৰিত কৰি দিয়ে; অথবা

(ছ) ধাৰা ৩৯ৰ অধীনত কোনো এজন অভিভাৱকক অপসাৰিত কৰি দিয়ে; অথবা

(জ) ধাৰা ৪০ৰ অধীনত কোনো এজন অভিভাৱকক বিমুক্ত কৰিবলৈ অস্বীকাৰ কৰি দিয়ে; অথবা

(ঝ) ধাৰা ৪৩ৰ অধীনত কোনো এজন অভিভাৱকৰ আচৰণ বা কাৰ্যবাহীবোৰ বিনিয়মন কৰি বা যুটীয়া অভিভাৱক সকলৰ মাজত মতানৈক্য হোৱা কোনো এটা বিষয় নিষ্পত্তি কৰি বা সেই আদেশটো বলবৎ কৰি দিয়ে; অথবা

(ঞ) ধাৰা ৪৪ বা ধাৰা ৪৫ৰ অধীনত কোনো দণ্ড বিধান কৰি দিয়ে।

আন আন আদেশৰ চূড়ান্ততা।

৪৮। পূৰ্ববৰ্তী শেষ ধাৰাটোৰ দ্বাৰা উপবন্ধিত ব্যতিৰেকে আৰু ক'ড অফ্ চিভিল প্ৰচিডীয়াৰ, ১৮৮২ৰ[১] ধাৰা ৬২২ৰ দ্বাৰা উপবন্ধিত ব্যতিৰেকে এই অধিনিয়ম মতে দিয়া যিকোনো আদেশ চূড়ান্ত হব আৰু মোকৰ্দমা বা আন কোনো কাৰ্যৰ দ্বাৰা সেই আদেশ প্ৰতিদ্বন্দ্বিতাযোগ্য নহব। ১৮৮২ৰ ১৪

খৰচ।

৪৯। কোনো এজন অভিভাৱকক বা আন কোনো ব্যক্তিক চিভিল কাৰাগাৰত ভৰণ-পোষণ কৰোতে হোৱা খৰচক অন্তৰ্গত কৰি এই অধিনিয়মৰ অধীনত হোৱা যিকোনো কাৰ্যবাহীৰ বাবে হোৱা খৰচ, এই অধিনিয়মৰ অধীনত উচ্চ ন্যায়ালয়ে প্ৰণয়ন কৰা যি কোনো নিয়মাৱলী সাপেক্ষে, যি ন্যায়ালয়ত কাৰ্যবাহীটো চলোৱা হয় সেই ন্যায়ালয়ৰ বিবেচনাধীন হব।

নিয়ম প্ৰণয়ন কৰিবলৈ উচ্চ ন্যায়ালয়ৰ ক্ষমতা।

৫০। (১) এই অধিনিয়মৰ দ্বাৰা উচ্চ ন্যায়ালয়ক নিয়ম প্ৰণয়ন কৰিবলৈ অভিব্যক্ত বা বিৱক্ষিত ৰূপে দিয়া হোৱা আন কোনো ক্ষমতাৰ উপৰিও উচ্চ ন্যায়ালয়ে সময়ে সময়ে এই অধিনিয়মৰ লগত সংগতি ৰাখি তলত লিখা বিষয়ে নিয়ম প্ৰণয়ন কৰিব পাৰে:

(ক) যি বিষয়বোৰ সম্বন্ধে আৰু যি সময়ত সমাহৰ্তা সকলৰ পৰা আৰু অধীনস্থ ন্যায়ালয়সমূহৰ পৰা প্ৰতিবেদন বিচৰা উচিত, সেই বিষয়ে;

(খ) অভিভাৱক সকলক মঞ্জুৰ কৰিবলগীয়া ভাত্তাবোৰৰ বিষয়ে, আৰু তেওঁলোকৰ পৰা লবলগীয়া প্ৰতিভূতিৰ বিষয়ে আৰু, যি যি অৱস্থাত তেওঁলোকক তেনেবোৰ ভাত্তা মঞ্জুৰ কৰিব লাগিব, সেই বিষয়ে;

(গ) ২৮ আৰু ২৯ ধাৰাত উল্লেখ কৰা কাৰ্যবোৰ কৰিবলৈ অনুমতি পাবৰ বাবে অভিভাৱক সকলৰ আবেদনপত্ৰবোৰ সম্বন্ধে যি প্ৰক্ৰিয়া অনুসৰণ কৰিব লাগিব, সেই বিষয়ে;

(ঘ) ৩৪ ধাৰাৰ (ক), (খ), (গ) আৰু (ঘ) খণ্ডত যেনেবোৰ অধিযাচনৰ কথা উল্লেখ কৰা হৈছে, তেনেবোৰ অধিযাচন কি পৰিস্থিতিবোৰত দিব লাগিব সেই বিষয়ে;

---

১। বৰ্ত্তমান চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ (১৯০৮ৰ ৫নং অধিনিয়ম) ১১৫ ধাৰা চাওঁক।

(ঙ) অভিভাৱকসকলে দিয়া আৰু প্ৰদৰ্শন কৰা বিৱৰণ আৰু হিচাপ পত্ৰবোৰৰ সংৰক্ষণৰ বিষয়ে;

(চ) স্বাৰ্থ সংশ্লিষ্ট ব্যক্তিসকলৰ দ্বাৰা সেই বিৱৰণ আৰু হিচাপ পত্ৰবোৰ পৰিদৰ্শনৰ বিষয়ে;

[১][(চচ) ধাৰা ৩৪কৰ অধীনত হিচাপ-পত্ৰবোৰৰ লেখা পৰীক্ষণৰ বিষয়ে, হিচাপ-পত্ৰবোৰ পৰীক্ষণ কৰাবলৈ কোন শ্ৰেণীৰ ব্যক্তিসকলক নিযুক্তি দিব সেই বিষয়ে, আৰু তেওঁলোকক মঞ্জুৰ কৰিবলগীয়া পাৰিশ্ৰমিকৰ নিৰিখ মানৰ বিষয়ে;]

(ছ) প্ৰতিপাল্যজনৰ ধনৰ অভিৰক্ষাৰ আৰু তেওঁৰ ধনৰ বাবে প্ৰতিভূতিবোৰৰ বিষয়ে ;

(জ) যিবোৰ প্ৰতিভূতিৰ ওপৰত প্ৰতিপাল্যজনৰ ধন বিনিয়োগ কৰিব পাৰি সেইবোৰৰ বিষয়ে ;

(ঝ) সেইসকল প্ৰতিপাল্যৰ শিক্ষাৰ বিষয়ে যি সকল প্ৰতিপাল্যৰ বাবে ন্যায়ালয়ৰ দ্বাৰা এনে অভিভাৱক নিযুক্ত বা ঘোষিত কৰা হৈছে যিসকল সমাহৰ্তা নহয়; আৰু

(ঞ) এই অধিনিয়মৰ উদ্দেশ্যবোৰ সাধনৰ বাবে ন্যায়ালয় সমূহক সাধাৰণতঃ পথ প্ৰদৰ্শনৰ বিষয়ে ।

(২) উপধাৰা (১)ৰ খণ্ড (ক) আৰু (ঝ)ৰ অধীনত প্ৰণয়ন কৰা নিয়মাৱলী ৰাজ্যচৰকাৰৰ দ্বাৰা অনুমোদন নকৰালৈকে প্ৰভাৱী নহব আৰু এই ধাৰাৰ অধীনত প্ৰণয়ন কৰা যিকোনো নিয়ম চৰকাৰী ৰাজপত্ৰত প্ৰকাশ নকৰালৈকে প্ৰভাৱী নহব ।

ন্যায়ালয়ৰ দ্বাৰা ইতিপূৰ্বে নিযুক্ত হোৱা অভিভাৱক সকলৰ ক্ষেত্ৰে অধিনিয়মৰ প্ৰযোজ্যতা ।

৫১। এই অধিনিয়মৰ দ্বাৰা নিৰসিত হোৱা কোনো অধিনিয়মৰ অধীনত কোনো চিভিল ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা তেনে ন্যায়ালয়ৰ পৰা প্ৰাপ্ত প্ৰশাসন প্ৰমাণ-পত্ৰ ধাৰণ কৰা কোনো অভিভাৱক, যেনেকৈ বিহিত কৰা হয় তাৰ ব্যতিৰেকে অন্য অৱস্থাত, এই অধিনিয়মৰ উপবন্ধ আৰু ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলীৰ এনেদৰে অধীন হব যেন তেওঁক এই অধিনিয়মৰ অধ্যায় ২ৰ অধীনত সেই ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত কৰা হৈছে ।

৫২। [ভাৰতীয় বয়স্কতা অধিনিয়মৰ সংশোধন] ১৯৩৮ চনৰ নিৰসন অধিনিয়মৰ ২ ধাৰা আৰু অনুসূচীৰ দ্বাৰা নিৰসিত। ১৯৩৮ৰ ১

৫৩। [ক'ড অফ চিভিল প্ৰচিডীয়াৰৰ অধ্যায় ৩১ৰ সংশোধন] চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ ধাৰা ১৫৬ আৰু অনুসূচী ৫ৰ দ্বাৰা নিৰসিত। ১৯০৮ৰ ৫

৫৪। অনুসূচী [নিৰসিত অধিনিয়ম সমূহ] নিৰসন অধিনিয়ম, ১৯৩৮ৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা নিৰসিত। ১৯৩৮ৰ ১

---

১। ১৯২৯ চনৰ ১৭ নং অধিনিয়মৰ ৩ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত।

—××—